চান্দমামা

ডিছেমবাৰ ১৯৯৭



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD CHENNAI - 600 026

'ସଚିତ୍ର ବିଜୟା' : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ଶୀତ ସମ୍ଭାର



ଏହି ସଂଖ୍ୟାରୁ ଗ୍ରାହକ ହୁଅନ୍ତୁ ସ୍ୱତନ୍ତ୍ର ରିହାତି ପାଆନ୍ତୁ

ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ: ଅନ୍ନପୂର୍ଣ୍ଣା ଥିଏଟର୍, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଙ୍ଗ: ଶୀତର ସଂଗୀତ, ଭିନ୍ନ ମଣିଷ: କୋହେନୂର ପାଞ୍ଜିର ପିତାମହ, ଅସ୍ତରାଗ: ଜରଡାଗଡର ଜାତକ, ଜୀବନ ସଂଗୀତ: କରମା ଗୀତ, ପ୍ରକୃତି ଓ ପର୍ଯ୍ୟଟନ : ରାମନାଥ-ବୈଦ୍ୟନାଥ, ପ୍ରେରଣା: ଲୋକନୃତ୍ୟ ଶିଳ୍ପୀ ଭଗବାନ ସାହୁ, ସାକ୍ଷାତ୍‌କାର: ଚିତ୍ରକର ପ୍ରଫୁଲ୍ଲ ମହାନ୍ତି, ସ୍ୱପ୍ନ ଜଗତର ପଞ୍ଚମ ଭାଗ, ଦୁଇଟି ସୁଖପାଠ୍ୟ ଗଳ୍ପ ଓ ରଂଗୀନ ଦ୍ୱିପତ୍ରର ବର୍ଣ୍ଣାଳୀ ।

ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ଡିସେମ୍ବର ସଂଖ୍ୟାର ମୂଲ୍ୟ ମାତ୍ର ଚାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

চান্দমামা

Gautam Goswami
9-12-1997

ডিছেমবাৰ : ১৯৯৭

এই সংখ্যাত আছে

উঠা উঠা বাপু চান্দবয়ন	...৭	কবিতাৰ বাৰ-ছিটা	...৩৭
স্বাধীনতাৰ প্ৰথম সোপান	...৯	বৃটিছ-বিৰোধী যুঁজাৰু	...৪১
দেৱাল	...১০	মহাভাৰত	...৪৫
চেলাম আৰু চেলামী	...১৬	জবৰ-খবৰ	...৫২
সম্ৰাট অশোক	...১৭	চান্দমামা-কোলাৰ-কাকত	...৫৩
কল্পনা আৰু বাস্তৱ	...২৫	স্বাধীনতাৰ প্ৰথম সংগ্ৰাম	...৫৬
তেজৰ তলৰ মৰম	...৩১	পুণ্য ক'ত থাকে	...৬১
সাগৰৰ পাৰে পাৰে	...৩৩	ফটো-নামকৰণ প্ৰতিযোগিতা	...৬৬

চান্দমামা
প্ৰতিভাষা - প্ৰতিখন
৬.০০ টকা
বছৰেকীয়া বৰঙনিৰ ধন
৭২.০০ টকা মাথোন

POLIO, QUIT INDIA!

Protect your child and the nation!
Participate in the mass
polio vaccination!

PULSE POLIO IMMUNIZATION
DECEMBER 7, 1997
JANUARY 18, 1998

December 7, 1997
January 18, 1998

CALLING PARENTS!

Even if

- the child is indisposed or has diarrhoea
- the child had been given polio drops earlier

TO ENSURE CENT PER CENT PROTECTION

Remember to

Take your children (under 5) to the nearest immunisation booth / centre to receive

TWO ADDITIONAL DROPS OF THE ORAL POLIO VACCINE on National Immunisation Days

Be a part of the global Polio Eradication Campaign

PolioPlus

You don't just have to protect, but help eradicate POLIO



Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

চান্দমামা

A CHANDAMAMA PUBLICATION

সংস্থাপক : চক্রপাণি ✵ সঞ্চালক : নাগিৰেড্ডি

উঠা উঠা বাপু চান্দবয়ন

স্বাধীনতাৰ সুৱৰ্ণ জয়ন্তী পালন কৰোঁতে আমি আমাৰ কষ্টাৰ্জিত স্বাধীনতাৰ বহু তিক্ত-ৰক্তাক্ত অধ্যায়ৰ কথা, দেশপ্ৰেমৰ জ্বলন্ত অগনিত আত্মাহুতি দিয়া চৰিত্ৰসকলৰ কথা অৱশ্যেই পৰম শ্ৰদ্ধাৰে সুঁৱৰি মূৰ দোঁৱাব লাগিব। কিন্তু আমাৰ কৰ্তব্য সিমানতেই অন্ত নপৰিব। শুনাত কিছু অসংবদ্ধ যেন বোধ হ'লেও—এই কথা অভ্ৰান্তভাৱে সত্য—যে আমাৰ স্বাধীনতাৰ হকে মাত মতা বুজন সংখ্যক বিদেশীও নথকা নহয়, যিসকলৰ এই সুৱৰ্ণজয়ন্তীত আমি আমাৰ পৰম শ্ৰদ্ধাৰ শৰাই তেওঁলোকলৈকো আগবঢ়াই আমাৰ অন্তৰৰ সত্যতাৰ প্ৰকাশ কৰিম।

এই বিদেশী লোকসকলে ভাৰতক আৰু ভাৰতৰ অধিবাসীসকলক ভাল পাই জীৱনকাল ধৰি ভাৰতক সেৱিছিল, যদিও এওঁলোকৰ মাজতো ইস্ট ইণ্ডিয়া কম্প্যানিৰ বিষয়াও নথকা নাছিল। এই বৈদেশিকসকলক কিছু সংখ্যক পণ্ডিত ব্যক্তিয়ে আমাক আমাৰ সুপ্ৰাচীনতম কালৰ মহান ঐশ্বৰ্য্যসমূহ যেনে—সাঁচী স্তূপ, অজন্তা-ইলোৰা গুহা আদি আৱিষ্কাৰ কৰি জগতৰ আগত ভাৰতৰ সুমহান ঐতিহ্য দাঙি ধৰিছিল, আমাৰ প্ৰাচীনতম কালৰ কালজয়ী বেদ-উপনিষদ আদি আৰু অন্যান্য বহুতো অমূল্য ৰচনাসম্ভাৰ ইংৰাজি আৰু অন্যান্য বৈদেশিক ভাষালৈ অনূদিত কৰি আমাৰ ঐতিহ্যৰ পৰাকাষ্ঠা প্ৰকাশ কৰিছিল। আমি এতিয়া আৰু সেই অতীতলৈ উভতি যাব নোৱাৰোঁ। কিন্তু আমাৰ অতীতৰ ইতিহাসত আমাৰ ভাৰতৰ বৰেণ্য ভাৰতীয় লোকসকলৰ সৈতে এই ভাৰতবন্ধু বিদেশীসকলকো বৰণ কৰি ল'বলৈ যেন নাপাহৰোঁ।

বৰেণ্যক কৰিবাক সোঁৱৰণ

বছৰ : ২২ ডিছেমবাৰ ১৯৯৭ সংখ্যা : ৯

খনে : ৬.০০ টকা ✵ বছৰি : ৭২.০০ টকা

सुन्दराता जो परंपरा लिये है !

मेरि

विश्वास में दृढ़ता !

गोल्ड कवरिंग ज्वल्स

निजी सजावट केलिये बनाये गये बहुत बढ़िया कारीगरी व बनावट (डिज़ाइन) -- दोनों में एकदम बेजोड । मेरी पिछले ३५ वर्षों में गोल्ड कवरिंग गहनों के निर्माण में लगी मशहूर संस्था है । नीचे दिये गये कुछ नमूने के गहने, वी.पी.पी. द्वारा खरीदे जा सकते हैं । गहनों के कोड नंबर लिखें और अपनी आवश्यकतानुसार उन्हें मंगा लें । वी.पी.पी. का शुल्क नहीं । १५० पृष्ठोंवाली रंगीन कैटलॉग भी । आप मुफ़त मंगा सकते हैं ।



MERI GOLD COVERING WORKS

Post Box : 1405, 18, Ranganathan Street, T. Nagar,
Chennai 600 017. Phone : 4344671, 4342513

পৃথিৱীৰ খিৰিকীৰে

স্কটল্যাণ্ডৰ স্বাধীনতাৰ প্ৰথম সোপান

১৭০৭ চনত, যেতিয়াৰপৰা ইউনিয়নৰ আইন জাৰী কৰা হৈছিল, তেতিয়াৰপৰা নাইবা দুশ নবৈব বছৰপৰা স্কটল্যাণ্ড আছিল ইউনাইটেড কিংডামৰ অংগ। তেতিয়া স্কটল্যাণ্ডে ইংল্যাণ্ডৰ সংসদলৈ প্ৰতিনিধি প্ৰেৰণ কৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত যদিও স্কটল্যাণ্ড স্বতন্ত্ৰ দেশ হৈ থকা নাছিল, তথাপি, সেই দেশৰ জনগণৰ ইচ্ছা আছিল যে তেওঁলোকৰ নিজা সংসদ হওক। তেতিয়া ইংল্যাণ্ডত আছিল লেবাৰ পাৰ্টিৰ চৰকাৰ। লেবাৰ পাৰ্টিয়ে স্কটল্যাণ্ডীয় জনগণৰ ইচ্ছাৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছিল; কিন্তু তথাপি কাৰ্য্যকৰভাবে একো কৰিব পৰা নাছিল। ১৯৭৪ চনত যেতিয়া তৃতীয়বাৰ লেবাৰ পাৰ্টিয়ে ইংল্যাণ্ডত চৰকাৰ গঠন কৰিছিল, তেতিয়া তেওঁলোকে স্কটল্যাণ্ডৰ এই ইচ্ছাৰ প্ৰতি তীব্ৰভাবে ভবা-গুণা কৰি থাকিল। ১৯৭৯ চনত এই বিষয়ত ৰেফাৰেণ্ডাম—অৰ্থাৎ জনমত গ্ৰহণ কৰা হ'ল। তেতিয়া অৱশ্যে ইংল্যাণ্ডত ৰক্ষণশীল দলৰ চৰকাৰ। ৰক্ষণশীল দলে এই বুলি স্কটল্যাণ্ডৰ এই আশাৰ মূৰত চেঁচাপানী ঢালিলে যে—জনমতৰ মাত্ৰ ৪০ শতাংশইহে স্কটল্যাণ্ডৰ দাবীৰ সপক্ষে মতদান কৰিছে!

তাৰ পাছত—যোৱা মে' মাহৰ সাধাৰণ নিৰ্বাচনত ইংল্যাণ্ডত পুনৰ লেবাৰ পাটিয়ে চৰকাৰ গঠন কৰিলে আৰু প্ৰধানমন্ত্ৰী টনি ব্লেয়িৰে ঘোষণা কৰিলে যে—স্কটল্যাণ্ডৰ পুনৰ জনমত গ্ৰহণ কৰা হ'ব। এই ঘোষণামতে—যোৱা ছেপটিমবাৰ মাহত যি ৰেফাৰেণ্ডাম অৰ্থাৎ জনমত গ্ৰহণ কৰা হ'ল, ৭৪.৩ শতাংশই স্কটল্যাণ্ডৰ নিজস্ব সংসদৰ সপক্ষে মত দান কৰা হ'ল। বৰ্তমান পৰিকল্পনা অনুসাৰে ১৯৯৯ চনত স্কটল্যাণ্ডত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ২০০০ চনত তাত গঠিত হ'ব স্কটল্যাণ্ডৰ নিজস্ব সংসদ।

তিনি শতিকাৰ আগতে স্কটল্যাণ্ডৰ নিজস্ব সংসদ আছিল। ১৩-১৪ শতিকাত ইংল্যাণ্ড আৰু স্কটল্যাণ্ডৰ মাজত যুদ্ধ হৈছিল। ১৬২৮ চনত ইংল্যাণ্ডে স্কটল্যাণ্ডৰ স্বাধীনতাক মানি লৈছিল। কিন্তু দুয়োখন দেশৰ মাজত তথাপি পূৰ্ণ শান্তিৰ বা' নবলিছিল। ১৬৩২ চনত স্কটল্যাণ্ডত বিদ্ৰোহই মূৰ দাঙিছিল আৰু ইংৰাজ জেনাৰেল ক্ৰমওৱেলে এই বিদ্ৰোহক পুলিয়ে-পোখাই উভালি পেলাইছিল। আৰু—১৭০৭ চনত স্কটল্যাণ্ড হৈ উঠিল ইংল্যাণ্ডৰ এক অবিভাজ্য অংগ।

বহুতৰেই ধাৰণা যে—বৰ্তমানৰ অধিকাৰ বিকেন্দ্ৰীকৰণেই ইউনিয়নৰপৰা বিচ্ছিন্নতাৰ হেতু হ'ব। স্কটল্যাণ্ডৰ নিজস্ব সংসদেই যে তেওঁলোকৰ স্বাধীনতাৰ প্ৰথম সোপান হ'ব—সেই কথাতো এওঁলোক মতদ্বৈধতাবিহীনভাবে একমত।





দেৱাল

চন্দ্রপুৰ অঞ্চলৰ জমিদাৰীত থকা ভালেমান গাঁৱৰ মাজত মাল্যপুৰ গাঁও হ'ল অন্যতম সুসমৃদ্ধ গাঁও। আৰু এই মাল্যপুৰতে আছিল হৰিওম্ ভট্টাচাৰ্য্য ওৰফে হৰিভট্ট নামৰ এগৰাকী মান্যমান যাজক বামুণ—পুৰোহিত। হৰিভট্ট আছিল ওখ-পাখ পুৰুষ, কাণত তাহানিৰ দিনত পিন্ধাৰ দৰে চাকি-শলাই, 'চাৰু চাকি-শলাই জ্বলে উপৰ কৰ্ণত' অৰ্থাৎ স্বৰ্ণকুণ্ডল পিন্ধিছিল, তেওঁৰ সাগৰসঙ্কাশ কণ্ঠধ্বনিয়ে যিকোনো মানুহৰ ওপৰত মুহূৰ্ততে প্ৰভাৱ বিস্তাৰ কৰিছিল। হৰিভট্ট পুৰোহিত কেৱল নিজ গাঁৱতে মান্যমান নাছিল, বা কেৱল চন্দ্ৰপুৰতে জনাজাত নাছিল ; সেই অঞ্চলৰ, আনকি অন্যান্য অঞ্চলৰ গাঁৱে-ভূঞেও পুৰোহিত হৰিভট্টৰ নাম প্ৰায় কিংবদন্তিৰ দৰে বিয়পি পৰিছিল। সেইবোৰ অঞ্চলৰ গাঁৱৰ নামজলা লোকসকলৰ গৃহত, বা জমিদাৰবৰ্গৰ জমিদাৰী ও উৎসৱ-অনুষ্ঠানত পৌৰোহিত্যৰ প্ৰয়োজন হ'লে — সৰ্বাগ্ৰে হৰিভট্টৰ নাম, তেওঁ নোৱাৰিলেহে আন।

হৰিভট্ট পুৰোহিতৰ সতি-সন্ততি বোলোঁতে — মাত্ৰ এজনী ছোৱালী। ছোৱালীজনীৰ নাম মালিতা। মালিতা—ওপজাৰেপৰা আলাসত উঠা ছোৱালী—কিন্তু সেই বুলি কেৱল আলাসৰ লাৰুটি হৈ আলাই জাবৰীজনী হৈ থকা নাই ; ৰূপৰ কথাই নাই, গুণতো আছিল জিলিকা। তাই আছিল শাস্ত্ৰজ্ঞানী, নম্ৰতা আছিল তাইৰ ভূষণ, আৰু আনকি গৃহকৰ্মতো আছিল মিৰলস-নিপুণ।

মালিতাজনী উঠন হওঁতেই হৰিভট্টৰ পৰিবাৰে তাইৰ বিয়াখন পতাৰ কথাটো—দপদপাই ফুৰা গিৰিয়েকক সোঁৱৰাই দিলে। পৰিবাৰৰ কথাত পোনতে কিঞ্চিত অবাক হ'ল ভট্টদেউ, কিন্তু প্ৰায় লগে লগেই উপলব্ধি

জয়ন্তী মিশ্ৰ

কৰিলে যে—কথা—হয়, তাইৰ বিয়াখন এতিয়া আৰু — নাপাতিলে নহয়।

মিত্ৰ-বন্ধু দুই-চাৰিক কোৱাত কথাটো গাঁৱত—আৰু গাঁৱৰ বাহিৰতো বহুতৰে কাণ পালেগৈ। কিছুমানে হৰিভট্টৰ কাষও চাপিলে—মালিতাহেন ৰূপৱতী-গুণৱতীক বোৱাৰী কৰিবলৈ। কিন্তু—হৰিভট্টৰ চৰ্ত শুনি এওঁলোকে আৰু নিৰৰ্থক আগ নবঢ়াটোকে স্থিৰ কৰিলে। হৰিভট্টৰ চৰ্ত হ'ল ঃ

মালিতাজনীৰ দৰা হ'ব লাগিব — শাস্ত্ৰজ্ঞানী, ধনৰ ধনী, আৰু দেখাতো হ'ব লাগিব—'চান্দ-জিনি-সৌন্দৰ্য্যৰ খনি'।

আৰু তেহে মিলিব পাৰে হিয়াই হিয়া, পাতিব পাৰে বিয়া।

এতেকে, যি হ'ব লাগে—সেয়ে হ'ল। মালিতাৰ কাৰণে এনেহেন 'মনে-খনা-দৰা' ক'তো-কেনিও বিচাৰি নোপোৱা হ'ল। কিছুমানে—পুৰোহিত হৰিভট্টৰ ওপৰত বিতুষ্ট হৈ তেওঁক 'আঁকোগজা — পোতা পুখুৰীৰ ৰজা' বুলি ইতিকিং কৰা হ'ল, আৰু এইবোৰ এনেবোৰ কথা হৰিভট্টই অহুকাণে-পহুকাণে শুনা সত্বেও চৰ্তত অটল হৈ থকা হ'ল।

কিছু দিনৰ পাছত মাল্যপুৰ গাঁৱৰ চুবুৰীয়া গাঁও কৌশল্যপুৰৰপৰা বিয়াৰ নিমন্ত্ৰণ এখন পায়ো হৰিভট্টদেউৱে তালৈ কিবা কাৰণত যাব নোৱৰা হ'ল আৰু সেই কাৰণে তেওঁ তেওঁৰ পৰিবাৰক আৰু লগতে ছোৱালীজনীকো অৰ্থাৎ মালিতাকো সেই বিয়াৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ পঠালে। তাত দৰাপক্ষৰপৰা মিলন নামৰ যুৱা এজন আহিছিল।

মিলন বিদ্বান যুৱক। অৰ্থশাস্ত্ৰত মিলনৰ ব্যুৎপত্তি আছিল প্ৰখৰৰো প্ৰখৰ। কিন্তু প্ৰকৃত 'অৰ্থ'ৰ কথাতহে আছিল অষ্টমদৰিদ্ৰ।

এই মিলনৰ সৈতে সেই বিয়া-ঘৰত অকস্মাৎ এসময়ত মালিতাৰ দেখাদেখি। মিলনৰ চকুৰ চাৱনি—মালিতাৰ চকুৰ পুতলীত বৈ গ'ল, ক'ৰপৰা কিবাহে যেন হৈ গ'ল।

পাছত মিলনে তাৰ বন্ধু সুজনৰ আগত মনৰ কথা উলিয়ালে। "মালিতাক নাপাওঁ যদি জীৱনত — জীৱনেই মিছা এই মৰতত।"

"কিন্তু—এইজনী হ'ল—পোতা পুখুৰীৰ ৰজা—মদগৰ্বী পুৰোহিত হৰিভট্টৰ ছোৱালী। তেওঁৰ চৰ্ত কি জানানে —?" এই বুলি কৈ, সুজনে হৰিভট্টৰ সেই 'চাবি চকুৰ মিলন হোৱা' চৰ্তসমূহৰ কথা মিলনক ক'লে। আৰু তাৰ

পাছত — নিমাত-নিস্তেজ হৈ পৰা মিলনক ক'লে, "এতেকে — এছালু ছিগিলেও কথা নেৰা ভট্টৰ ফটফটনিৰ ফান্দত নপৰি—যি দেখিছা যি ভাবিছা — পাহৰি যোৱা। তোমাৰ এই আশা কেতিয়াও পূৰ নহ'ব।"

বন্ধু সুজনৰ কথাখিনি শুনাৰ অন্তত মিলনৰো ধাৰণা হ'ল যে—পৰ্বতত কাছকণী পালেও পাব পাৰি, কিন্তু মনৰ সকলো খিৰিকী খুলিও মালিতাক পাব নোৱাৰি।

কিছু দিন পাৰ হ'ল। এদিন—জমিদাৰ ভুৱনেশ্বৰ ডাঙৰীয়াৰ নৱৰাত্ৰি উৎসৱৰ অনুষ্ঠান পাতিবৰ উপলক্ষ্যে — পুৰোহিত হৰিভট্টলৈ খবৰ পঠোৱা হ'ল—তেওঁ সপিৰিয়ালে আহিব লাগে এই উছৱ-অনুষ্ঠানলৈ, আৰু এই মহা-অনুষ্ঠানত পৌৰোহিত্য কৰিব লাগে।

আৰু—জমিদাৰ ভুৱনেশ্বৰ ডাঙৰীয়াৰ আহ্বান পাই পুৰোহিত হৰিভট্টদেউ যথাসময়ত সপৰিয়ালে তালৈ আহিল।

এই অনুষ্ঠানস্থলত মিলনো আছিল। জমিদাৰ ভুৱনেশ্বৰ ডাঙৰীয়াই মিলনক উছৱৰ বিশেষ-বিশেষ কামৰ দায়িত্ব দিছিল। অন্যান্য দায়িত্বৰ মাজত অন্যতম আছিল নৱৰাত্ৰি পূজাৰ বাবে বেদী সজাৰ কাম। এইবোৰ কাৰ্য্যত মিলনৰ সমকক্ষ বিচাৰি পোৱা টান। বেদী-নিৰ্মাণৰ বাবে মানুহ আৰু নথকা নহয়, কিন্তু—এই কামত মিলনৰ মাজত থকা নিষ্ঠা—আন কাৰো মাজতে দেখা নাযায়। মিলনে এই কাৰ্য্য কেৱল জমিদাৰ ডাঙৰীয়াৰ বাবেই নহয়, বহুতৰে বাবে কৰি যি সুনাম আৰ্জিলে—'গৃহবেদী কৰি ভিন্নে ভিন্নে থাপিলন্ত'—সেই সুনাম আন কোনোৱেই আৰ্জিব পৰা নাছিল। দৰাচলতে—এই নৱৰাত্ৰি-উৎসৱৰ কাৰ্য্যাদি চম্ভালিবৰ দায়িত্ব জমিদাৰে একমাত্ৰ মিলনৰ ওপৰতে সঁপিছিল।

জমিদাৰ ডাঙৰীয়াই মিলনক প্ৰাজ্ঞ পুৰোহিত হৰিভট্টদেউৰ সৈতে চিনাকি কৰাই দিলে আৰু ক'লে, "মিলন, উছৱৰ অন্ত নপৰালৈকে তুমি আমাৰ ভট্টদেউৰ লগে লগে থাকিবা আৰু তেওঁ যেনেকৈ যি বিচাৰে — কৰিবা। এয়া লোৱা, এই পাঁচ হেজাৰ মুদ্ৰা তোমাৰ ওচৰতে ৰাখা, তুমি আৱশ্যকমতে খৰচ কৰিবা।"

জমিদাৰ ভুৱনেশ্বৰ ডাঙৰীয়াই কিয় এজন সাধাৰণ যুৱাৰ প্ৰতি ইমান আকৰ্ষিত হ'ল—ভট্টদেৱে কৌতূহল দমাব নোৱাৰি মিলনৰ

কাম-কাজৰ পদ্ধতিৰ প্ৰতি বিশেষ দৃষ্টি দি থাকিল। আৰু এইদৰেই, দুই-তিনি দিনতে ভট্টদেৱৰ কৌতূহল—মিলনৰ প্ৰতি অকৃত্ৰিম অনুৰাগলৈ পৰ্য্যৱসিত হ'ল।

হৰিভট্টই মিলনক ক'লে, "বিশেষকৈ নৱৰাত্ৰি পূজাৰ বেদী সজাৰ — কোনো তুলনা নাই। এই কাৰ্যত তোমাৰ পাৰ্গতালি বাস্তৱিকতেই অদ্বিতীয়।"

হৰিভট্টদেৱে মিলনলৈ শলাগৰ শৰাই অগবঢ়াওঁতে তাত উপস্থিত থকা মিলনৰ অন্যতম বন্ধু গুৰুনাথে মিলনক ক'লে, "এই শুভ মুহূৰ্ততে—কেৱল ভগৱানৰে নহয়—ৰামৰো শুভকাৰ্য্যৰ পাতনি তৰা হ'লেহে বৰ ভাল হ'ব।"

গুৰুনাথৰ কথাত মিলন অস্বস্তিত পৰিল আৰু পুৰোহিত হৰিভট্টদেৱৰো—যেনিবা হৰিষত বিষাদ মিলিল। তেওঁ ভাবিলে ঃ কথানো কি? তেওঁ মিলনলৈ জিজ্ঞাসুদৃষ্টিৰে চালে।

মিলনে হৰিভট্টদেৱক ক'লে, "ৰাম হ'ল এজন দুখীয়া হালোৱা। ৰামৰ ইচ্ছা যে—তাৰ একমাত্ৰ ল'ৰাটিৰ বাবে আটমটোকাৰীকৈ ঘৰ এটা বনাই থৈ যাব। ৰাম হ'ল—এই গুৰুনাথৰ নিকটাত্মীয়। ৰামে ঘৰটো সজাৰ কাম এই গুৰুনাথক দিছিল, আৰু তাৰ পাৰিশ্ৰমিক কিছু কমকৈ ল'বলৈ খাটিছিল। গুৰুনাথে পাৰিশ্ৰমিক কমকৈ নল'ব যে—সেই কথা চাফ চাফ কৈ দিয়াহেঁতেন ভাল হ'লহেঁতেন। কিন্তু সি ৰামৰ অনুৰোধ মানি লৈছিল। মানি লৈছিল—কিন্তু ঘৰটো ভালকৈ বনোৱা নাছিল। এই বিষয়ে ৰামে গুৰুনাথক সোধাত গুৰুনাথে ৰামক কৈছিল, 'যিমান দিছা, সিমান দিলোঁ, দিয়ামতে ঘৰ বনালোঁ, কিনো জগৰ লগালোঁ? — যিমান দাম, সিমান কাম।

"মই কিন্তু কোনো বিশেষ পাৰিশ্ৰমিকৰ আশা নকৰাকৈয়েই মোৰ কাম কৰি আপোনাৰ প্ৰশংসা আৰ্জিলোঁ। এয়ে মোৰ মহা প্ৰাপ্য।



মোক অধিক আন একোৱেই নালাগে।"

প্ৰাজ্ঞ পুৰোহিত হৰিভট্টদেৱে গুৰুনাথলৈ ভৰ্ছনাৰ দৃষ্টিৰে চোৱাত গুৰুনাথে তেওঁক কিবা ক'বলৈ যো-জা কৰোঁতেই মিলনে গুৰুনাথক ক'লে, "গুৰুনাথ, তুমিও কিঞ্চিত পঢ়া-লিখা জনা মানুহ। আচলতে—সকলো মুহূৰ্তয়েই যে শুভ মুহূৰ্ত, তুমিও জানাই। শুভমুহূৰ্তৰ কোনো বিকল্প নাই, অশুভ মুহূৰ্ত বোলা একো নাই। শ্ৰীগণেশ চতুৰ্থীৰ দিনা জনম লৈছিল, শ্ৰীকৃষ্ণৰ অৱতাৰ ৰূপে মহাবিষ্ণু অষ্টমীৰ দিনা জনম লৈছিল। কোন মুহূৰ্তনো অশুভ ?"

মিলনৰ কথাত লাজ পাই তলমূৰ হৈ গুৰুনাথ গুচি গ'ল। গুৰুনাথ গুচি যোৱাৰ পাছত পুৰোহিত ভট্টদেৱে মিলনক সুধিলে, "তেনেহ'লে—যিকোন কাৰ্য্য যিকোনো সময়ত আৰম্ভ কৰিব পাৰি বুলি ক'বানে ?"

মুহূৰ্তমানলৈ তাপ মাৰি থকাৰ অন্তত মিলনে ভট্টদেৱক ক'লে, "মহোদয়, আপুনি হ'ল গৃহ-পুৰোহিত, মোৰ কথাত আপুনি সহমত নহয় যদি — মোৰ বেয়া পোৱাৰ কোনো প্ৰশ্ন নাই। আৰু—আপোনাৰ বিশ্বাসত মই যদি অনিচ্ছাকৃতভাৱে কিবা আঘাত দিছোঁ—তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী। আজিৰ দিনত—প্ৰায় সকলো মানুহেই যেনেতেনে 'লাভ' কৰিবলৈহে বিচাৰে। যিকোনো কামতে যিকোনো মূল্যত—'লাভ' লাগে মানুহক। গুৰুনাথ হ'ল মোৰ এই মন্তব্যৰ জীৱন্ত উদাহৰণ। আজিৰ এই পৰিস্থিতিত — লাভেই যে জীৱনৰ মূল লক্ষ্য হোৱা উচিত নহয়— আচাৰ-পদ্ধতিতকৈ যে নীতি-নিয়ম শ্ৰেষ্ঠ— ভগৱানেও যে নীতি-নিয়মৰ পালনকাৰীকে আদৰে—সেই কথা কোৱা আৱশ্যক বুলি ক'লোঁ।"

"তোমাৰ কথা — সঠিক। আমাৰ আচাৰ-বিচাৰৰ মাজত ভালেমানেই অৰ্থহীন। উত্তৰ-দক্ষিণত কোনো প্ৰভেদ-পাৰ্থক্য নাই। তোমাৰ কথা পূৰাপূৰি সঠিক যে—দৰাচলতে সকলো মুহূৰ্তয়েই শুভ মুহূৰ্ত। তোমাৰ মতামতৰ প্ৰভাৱেৰে মই প্ৰভাৱিত হৈ পৰিছোঁ।" প্ৰাজ্ঞ পুৰোহিতে ক'লে।

মিলনে মুহূৰ্তমান তভক খাই থকাৰ অন্তত ক'লে, "আপুনি ক'লে যে—মোৰ মতামতৰ প্ৰভাৱেৰে আপুনি প্ৰভাৱিত হৈ পৰিছে। ঠিক তেনেকৈয়েই—আপুনি মোৰ ইচ্ছাৰ প্ৰভাৱেৰে প্ৰভাৱিত হোৱাহেঁতেন!"

ভট্টদেৱে আচৰিত মানি সুধিলে, “তাৰ—মানে তোমাৰ ইচ্ছা—কি ইচ্ছা ?”

তেতিয়া মিলনে কোনো লুক-ঢাক নকৰাকৈ মালিতাৰ বিষয়ে তাৰ মনৰ কথা ভাঙি-পাতিয়েই ক'লে । আৰু—মনৰ কথা কোৱাৰ অন্তত মন্তব্য কৰিলে, “মালিতা—আপোনাৰ পুত্ৰী—কেৱল ৰূপৱতীয়েই নহয়, সৰ্বদিশতে যোগ্যৱতী । মই নিজক বৰ যোগ্য বুলি ভাবিব নোৱাৰোঁ। তথাপি যদি—”

প্ৰাজ্ঞ পুৰোহিত ভট্টদেৱে হাত দাঙি মিলনক ৰখালে আৰু হাঁহিৰে সৈতে ক'লে, “জগতৰ প্ৰতিজন পিতৃয়েই তেওঁৰ ছোৱালীৰ কাৰণে সুখপূৰ্ণ জীৱন বিচাৰে। কিন্তু সেই সুখৰ চিন্তাৰো প্ৰকাৰভেদ আছে । এটি বিশেষ কথা কওঁৱেই তোমাক—মই মোৰ ছোৱালীজনীৰ ‘সুখ' বিচাৰি তাইৰ বিয়াৰ ক্ষেত্ৰত যিবোৰ চৰ্ত আৰোপ কৰিছিলোঁ—যিবোৰ চৰ্তৰ কথাত মই বহুধৰণৰ কু-মন্তব্য মূৰপাতি ল'বলৈ বাধ্য হৈছিলোঁ—সেইবোৰ—দৰাচলতে আছিল —জাগতিক সুখৰ বিৰুদ্ধে—লুভীয়া জীৱনৰ অসৎ আকাংক্ষাৰ বিৰুদ্ধে—দেৱাল । বুজাই কওঁ। —মোৰ কিঞ্চিত সা-সম্পত্তি ধন-সোণ আছে । মই যিদিনা পৰলোক পামগৈ—সেইদিনাৰপৰা—দৰাচলতে মোৰ পুত্ৰীয়েই হ'ব সেইবোৰ সাহনৰ অধিকাৰিণী । এই কথা জানি—দলে দলে দৰা আৰু দৰাৰ পিতৃ-মাতৃসকলেও ঢপলিয়াই আহিছিল, আৰু সেইহে মই তেনেহেন ‘চৰ্ত' আৰোপ কৰিছিলোঁ । ছোৱালীৰ বিবাহিত জীৱনৰ সুখ মোকো লাগে, কিন্তু সেই সুখ লোভ-লালসাৰ সুখ নহয়—লাগে হৃদয়ৰ সুখ । যিজনে মোৰ ধন-সম্পদ নহয়—কেৱল মালিতাকে পাবলৈ বিচাৰিব—সেইজনৰ সৈতেহে মালিতাজনীৰ যোৰা পাতিম—এয়ে আছিল মোৰ একমাত্ৰ ইচ্ছা । মালিতাজনীৰ কাৰণে মোক জাগতিক সুখ নালাগে, লাগে মানসিক সুখ ! সেই মন আৰু মানসিকতা মই তোমাত দেখা পাইছোঁ। মনৰ সৈতে মন—নাই তাৰ নিচিনা ধন । তুমি জীৱনৰ শাস্ত্ৰত যথেষ্ট জ্ঞানী—তুমি মনৰ ধনেৰে ধনী—আৰু স্বভাৱ-চৰিত্ৰৰ সৌন্দৰ্য্যেৰে চন্দ্ৰ-জিনি সৌন্দৰ্য্যৰ খনি। মোক মোৰ ছোৱালীজনীৰ কাৰণে আন একোৱেই নালাগে । যি লাগিছিল—পালোঁ । আৰু—চৰ্তৰ দেৱালও নোহোৱা কৰিলোঁ।”



চেলাম আৰু চেলামী

লৰ্বাং গাঁৱৰ লোহাৰু আৰু তৰ্বাং গাঁৱৰ তামাৰু আছিল নলগল দোস্ত। দুয়ো একেজাকৰে। যেতিয়াই আজৰি পাইছিল, তেতিয়াই একেলগে টেকেলীয়ে টেকেলীয়ে লাওপানী খাইছিল।

এদিন ৰাতিৰ পৰতে লোহাৰুয়ে তামাৰুলৈ খবৰ ভেজিলে যে—তাৰ ঘৈণী মাকৰ ঘৰলৈ গ'ল, সুযোগ সোণালী, জলদিকৈ আহিবা, খাবা-পিবা মজা মাৰিবা।

তামাৰুৱে সেই ৰাতিৰ পৰতেই হাৰিকেন এটা হাতত লৈ ততাতৈয়াকৈ খোজ ল'লে আৰু যেনিবা চৰাই উৰা দি উৰি উৰি লোহাৰুৰ ঘৰ পালেগৈ। তাৰ পাছত আৰম্ভ হ'ল গিলাচ ছিঙা। টেঁটুলৈকে পি-খোৱাৰ অন্তত—যেতিয়া আৰু পি-খোৱাৰ ঠাই দেহত নোহোৱা হ'ল—তেতিয়া তামাৰুৱে পুনৰ ঘৰলৈ বুলি খোজ ল'লে।

তেতিয়া মাজনিশা। হাৰিকেনৰ সামান্য পোহৰত হাবিয়লীয়া লুংলঙীয়া বাটেদি উজুটি খাই খাই আন্ধাৰে-মুন্ধাৰে কথমপি ঘৰ পালেহি তামাৰুৱে। আৰু ঘৰ পাই—ঘৰৰ ভিতৰলৈ নোসোমাই—চোতালতে ধুপুচকৈ লুটি খাই পৰি টোপনিত লাল-কাল দিলে।

পাছদিনা, তামাৰুৱে লোহাৰুৰপৰা চিঠি এখন পালে। চিঠিখন আন এজন মানুহৰ হতুৱাই লোহাৰুৱে তামাৰুলৈ ভেজিছিল। চিঠিখনত লিখা আছিল ঃ 'দোস্থ, আশা কৰোঁ মাজনিশা হাবিৰ মাজেদি যাওঁতে তোমাক কোনো সাপে খোটা নাই, তুমি নিৰাপদেই ঘৰ পালাগৈ। কিন্তু তুমি তোমাৰ হাৰিকেন—মানে হাতলেমটো আমাৰ ঘৰতে এৰি থৈ গ'লা, আৰু হাতলেম বুলি যিটো লৈ গ'লা—সিটো আছিল—আমাৰ ছলিৰ মাকৰ ভাটো চৰাই থকা সজাটো। ভাল হ'ল যে—ঘৈণী ঘৰত নাছিল, থকাহেঁতেন তাই যিখন ৰাম-ভাৱনা পাতিলেহেঁতেন, চণ্ডালিবলৈ—মই কিজানি টানেই পালোহেঁতেন। তোমাক যেনেকৈ সাপে খোটা নাই, মোকো ঘৈণীয়ে খোটা নাই। এইবাৰলৈ বৰ সাৰণে সাৰিলোঁ, আৰু চেলামীৰে এই শপত খালোঁ যে—আগলৈ চেৰাপলৈ চেলাম।"



সম্ৰাট অশোক

[আগৰ কথা: পিতৃৰ আদেশ অনুসাৰে যুৱৰাজ অশোকে উজ্জয়িনীৰ শাসন-ভাৰ গ্ৰহণ কৰিছিল, আৰু পৰিপূৰ্ণ দক্ষতাৰেই শাসন কৰিছিল। সিপিনে—মগধ সাম্ৰাজ্যৰ ৰাজধানী পাটলিপুত্ৰত বৃদ্ধ মহাৰাজ-বিন্দুসাৰ যথেষ্ট চিন্তাজনকভাৱে অসুস্থ হৈ, মৃত্যু আসন্ন বুলি উপলব্ধি কৰি, তক্ষশিলাৰপৰা জ্যেষ্ঠপুত্ৰ সুশেমক, আৰু উজ্জয়িনীপৰা কনিষ্ঠ পুত্ৰ অশোককো মতাই পঠালে। আৰু—সুশেমক পাটলিপুত্ৰ পাওঁতে যথাসম্ভৱ বাধা দিবলৈ—বিদিশাৰ ভাতৃ যশে সেই নৰ্তকী দুজনীক বেগৱান অশ্বৰ পিঠিত উঠাই পঠালে। আৰু তাৰ পাছত....]

১০

চিকাৰৰপৰ উভতি আহি অশোকে তেওঁৰ পত্নী-বিদিশাক ক'লে, "জন্তু-জানোৱাৰ চিকাৰ কৰি কৰি মই একেবাৰ ভাগৰি পৰিছোঁ।"

"এই ভাগৰ—দেহৰ ভাগৰ। প্ৰাণী বধ কৰি মানসিক ভাগৰ লগাৰ দিনলৈ মই ৰৈ আছোঁ।" বিদিশাই তেওঁৰ পতিক ক'লে।

"কিয়নো এনেকৈ কৈছা ? গুৰুভাৰ শাসনকাৰ্য্যৰপৰা কিঞ্চিত আজৰিৰ মাত্ৰ এয়ে যে মোৰ আনন্দ—সেই কথা তুমি নাজানানে কি ? মই—কোনো প্ৰাণী বধ কৰি তাৰ মঙহ খাওঁনে ? কেতিয়াবা দেখিছানে ? মঙহৰ লোভিত চিকাৰলৈ ওলাওঁনে ?" অশোকে কিঞ্চিত ক্ষুব্ধতাৰেই ক'লে।

"এই কথাৰ অৰ্থ হ'ল এয়েযে—আপুনি অবাবতেই প্ৰাণীবধ কৰি আছে, একেবাৰে উপযোগহীন কাৰ্য্য কৰি আছে। এই কাৰ্য্য—

'পাটলিপুত্ৰত পান্ডা-কঁপা'

প্ৰাণী বধি খোৱাতকৈয়ো যে বেয়া—আপুনি নিশ্চয় মানি ল'ব।" বিদিশাই যুৱৰাজক ক'লে।

"আজি মই এটা বাঘ চিকাৰ কৰিলোঁ। বাঘটোৱে — ভাবি চোৱাচোন — এই বাঘটোৱে অৰণ্যৰ নিমাখিত-নিমাখিতী প্ৰাণীক মাৰি খালেহেঁতেন। বাঘটোক বধি মই পহু-শহাপহু আদি অন্যান্য দুৰ্বল অথচ নিষ্পাপ প্ৰাণীক আওপাকে—ৰক্ষা কৰা নাইনে ? গতিকে মোৰ চিকাৰকাৰ্য্যক কেনেকৈনো উপযোগহীন বুলি ক'ব পাৰি ?" অশোকে বিদিশাৰ আগত যুক্তিদাঙি ধৰিলে।

"মহাৰাজ—বাঘ বোলক সিংহ বোলক —কোনো প্ৰাণীয়েই আমোদ-প্ৰমোদৰ কাৰণে অন্য প্ৰাণীক নবধে — সিহঁতে ভোক গুচাবলৈহে বধে। জন্তুৱে ধৰ্ম-অধৰ্ম নাজানে, কিন্তু মানৱৰ এই জ্ঞান আছে। ক্ৰূৰ জন্তুৱে নিমাখিতক মাৰি খোৱাটোৱেই তাৰ সহজ আৰু স্বাভাৱিক তথা প্ৰাকৃতিক গুণ। এই কাৰ্য্য নকৰিলে সেই জন্তু পৃথিৱীৰপৰা লুপ্ত হ'ব। কিন্তু মনুষ্যৰ সেই সমস্যা নাই।" বিদিশাই অশোকক ক'লে।

বিদিশাৰ কথা শুনি থাকোঁতে যুৱৰাজ অশোকে মিচিক-মাচাককৈ হাঁহি আছিল। কিন্তু কোনো উত্তৰ-প্ৰত্যুত্তৰ কৰা নাছিল। এনেতে এজনী লিগিৰী আহিল, আৰু আশোকক প্ৰণাম কৰাৰ অন্তত লিগিৰীজনীয়ে ক'লে, "বাৰাণসীৰাপৰা এগৰাকী জ্যোতিষী আহিল। তেওঁ বাহিৰত বৈ আছে। তেওঁ আপোনাৰ দৰ্শনপ্ৰাৰ্থী।"

বিদিশাই সুধিলে, "জ্যোতিষী —?"

"ওঁ, মই তোমাক ক'বলৈ পাহাৰিলোঁ এই জ্যোতিষীৰ কথা। এওঁ বিখ্যাত জ্যোতিষী, এওঁৰ নাম ললিতদত্ত।" অশোকে এই কথা কৈয়েই ওলাই গ'ল।

জ্যোতিষী ললিতদত্তই যুৱৰাজ-অশোকক দেখা পাই বহাৰপৰা উঠি থিয় হ'ল। ললিতদত্তৰ পিন্ধনত আছিল গেৰুৱা বস্ত্ৰ, আৰু কপালত আছিল কুঙ্কুমৰ ফোঁট, আৰু ডিঙিত ওলমি আছিল ৰুদ্ৰাক্ষৰ মালা।

ললিতদত্তই আশোকক নমস্কাৰ কৰিলে আৰু তাৰ পাছত অশোকৰ সোঁহাতখন গভীৰভাৱে চাবলৈ ধৰিলে। তাৰ পাছত কেইমুহূৰ্তমানলৈ চকু মুদি থকাৰ অন্তত ক'লে, "শুভ মুহূৰ্ত সমাসন্ন!"

"কিহলৈ —?"

অশোকে সুধিলে।

"স্বতন্ত্ৰতাৰ ঘোষণা কৰিবলৈ ।" জ্যোতিষীয়ে ক'লে।

"কিহৰপৰা ? কাৰপৰা—স্বতন্ত্ৰতা ?" বিস্মিত অশোকে জ্যোতিষী ললিতদত্তক বিস্ময়ৰে সৈতে সুধিলে।

"অৱন্তীৰাজ্যৰ ৰজা হিচাপে নিজক প্ৰতিষ্ঠিত কৰাৰ এয়েহে সময় । মগধৰপৰা স্বতন্ত্ৰতাৰ ঘোষণা কৰি এতিয়াই সিংহাসনত অধিষ্ঠিত হওক ।" ললিতদত্তই লপলপকৰে যুৱৰাজ অশোকক ক'লে।

"এই কাৰ্য্য—প্ৰকৃতাৰ্থত মগধ সাম্ৰাজ্যৰ মহাৰাজৰ—মোৰ পিতাশ্ৰীৰ বিৰুদ্ধে বিদ্ৰোহৰহে নামান্তৰ হ'ব।" অশোক ক'লে।

"সত্য। কিন্তু আপোনাৰ পক্ষে মহাৰাজ হোৱাৰ এয়েহে একমাথোন উপায়। অতিপাত অসুস্থ মহাৰাজ বিন্দুসাৰে মগধসাম্ৰাজ্যৰ উত্তৰাধিকাৰী ৰূপে জ্যেষ্ঠপুত্ৰ সুশেমক নিৰ্বাচিত কৰিলেই।" জ্যোতিষীয়ে ক'লে।

"আমাৰ পিতাশ্ৰী—অতিপাত অসুস্থ ? আকুল অশোকে সুধিলে।

"ওঁ। কিন্তু—অহা এক বৎসৰৰ ভিতৰত আপুনি উজ্জয়িনীৰপৰা ক'লৈকো নাযাব, মহাবিপদ হ'ব।" ললিতদত্তই ক'লে।

ঠিক এই সময়ত ক'ৰবাত কিবা এক শব্দ উঠিল । কোনোবাই কিবা জোকাৰি থকাৰ শব্দ । যুবৰাজ অশোকে ক্ৰুদ্ধ হৈ ইফালে-সিফালে চাই—অনতিদূৰতে বিদিশাৰ ভাতৃ যশক দেখা পাই কৈ উঠিল, "আহাঁ, বন্ধু—আহাঁ। কি সম্বাদ—কোৱাঁ।"

যুৱৰাজৰ অনুমতি লৈ জ্যোতিষী ললিতদত্ত কক্ষৰপৰা ওলাই যাবলৈ খোজ লোৱাৰ লগে লগেই যশে খাপৰপৰা তৰোৱাল উলিয়াই ক'লে, "খোজ বঢ়ালেই খুচি দিম।"

"স্বয়ং যুৱৰাজৰ উপস্থিতিতেই — জ্যোতিষীৰ এই অপমান ?"

"শত্ৰুৰ গুপ্তচৰৰো মান-অপমান বোধ থাকেনে ? যশে কৈ থাকিল, "শিখৰসেন, তুমি মোক চিনি নোপোৱা, কিন্তু মই তোমাক বঢ়িয়াকৈ চিনি পাওঁ। তোমাক—পাটলিপুত্ৰত যুৱৰাজ সুশেমৰ সৈতে ঘূৰি ফুৰা অৱস্থাত—অসংখ্যবাৰ মই দেখা পাইছোঁ । যুৱৰাজ অশোকক মগধসাম্ৰাজ্যৰ সিংহাসনৰপৰা আঁতৰ কৰি ৰখাৰ চেষ্টা কৰাহঁতৰ মাজৰ তুমিও এজন, জানো মই । তুমিও যে অন্যতম



ষড়যন্ত্ৰী—সেই কথা যুৱৰাজ অশোকে নাজানিব পাৰে, কিন্তু মোৰ অবিদিত নহয়। — যদি প্ৰাণভিক্ষা লাগে, কিয় জ্যোতিষীৰ ভেশছন লৈ ইয়ালৈ আহিছা—কোৱাঁ, নতু নিস্তাৰ নাই।" যশে গৰজি উঠি ক'লে।

জ্যোতিষী শেঁতা পৰিল, ধাৰৰ নলকঁপা দি থাকিল ; কিন্তু তথাপি একো নোকোৱা হ'ল।

"কৌন হ্যায় —?"

যশৰ চিঞৰ শুনি তৎক্ষণাৎ দুজন প্ৰহৰী দৌৰি আহিল।

"এই দুষ্টক বন্দী কৰাৰ অনুমতি প্ৰাৰ্থনা কৰিছোঁ, যুৱৰাজ!"

যশে অশোকক ক'লে।

যুৱৰাজ অশোকে নিমাতে মূৰ দুপিয়াই সন্মতি প্ৰদান কৰিলে।

আৰু লগে লগে প্ৰহৰীদ্বয়ে বাৰাণসীৰপৰা অহা জ্যোতিষী ললিতদত্তক কটকটীয়াকৈ বান্ধি বন্দী কৰিলে।

"যুৱৰাজ, পাটলিপুত্ৰলৈ যোৱাত বাধা দিবৰ বাবেহে যুৱৰাজ সুশেমৰ সৈতে এই ললিতদত্তয়ো ষড়যন্ত্ৰ ৰচিছিল। কাৰণ হ'ল—মহাৰাজৰ মৃত্যু সমাসন্ন, আৰু মৃত্যুৰ পাছ-মুহূৰ্ততে মগধৰ সিংহাসন অধিকাৰ লগতে—মহাৰাজৰ শেষ ইচ্ছাক মষিমূৰ কৰি আপোনাকো প্ৰৱঞ্চনা। মহাৰাজ যিকোনো মুহূৰ্ততে স্বৰ্গী হ'ব পাৰে — তেওঁৰ শাৰীৰিক অৱস্থা এনেকুৱা। গতিকে—যিমান শীঘ্ৰে সম্ভৱ-ৰাজধানী পাটলিপুত্ৰলৈ গমন কৰক। এয়া অতিশয় জৰুৰী কথা।"

যশৰ কথাৰ উত্তৰত যুৱৰাজ অশোকে ক'লে, বন্ধু, তোমাৰ কথা হয়তো ঠিক। অতি শীঘ্ৰেই পাটলিপুত্ৰ পাবঁগৈ লাগিব। কিন্তু—উজ্জয়িনীক অৰক্ষিত ৰাখি —"

যশে যুৱৰাজক ৰখাইকৈ উঠিল, "আপুনি পাটলিপুত্ৰলৈ যোৱাৰ কথা — চৰাই-চিৰিকতিয়েও নাজানক। আপোনাৰ উপস্থিতিলৈ বাট চাই পাটলিপুত্ৰত মহামন্ত্ৰী, মহাসেনাধিপতি, আৰু ৰাজ-পুৰোহিত অধীৰ আগ্ৰহৰে বৈ আছে। আৰু — আৰু বিশেষ কথা এয়ে যে—জ্যেষ্ঠ আৰু কনিষ্ঠ যুৱৰাজৰ মাজিত যিজনে আগতে পাটলিপুত্ৰ পাবঁগৈ — সেইজনৰ ৰাজ্যাভিষেকৰ প্ৰবল সম্ভাৱনা।" যশে স্পষ্টীকৰণ কৰিলে।

তিমানতে বিদিশা তালৈ সোমাইছিলহি। বিদিশাই যুৱৰাজ অশোকক ক'লে,

"পাটলিপুত্ৰৰপৰা কটকী আহিল। তেওঁ আপোনাৰ দৰ্শনপ্ৰাৰ্থী।"

তথাপি অশোক মৌন হৈ থাকিল।

কিন্তু যশে কৈ উঠিল, "শুনি ভাল পালোঁ। পাটলিপুত্ৰৰ কটকী কিয় ইয়ালৈ আহিল, জানো মই। যুৱৰাজক তুৰন্তে পাটলিপুত্ৰলৈ লৈ যাবলৈ আহিল তেওঁ। তক্ষশিলালৈকো নিশ্চয় আন এজন কটকীক পঠোৱা হৈছে যুবৰাজ সুশেমক মতাই অনাবলৈ।"

বিদিশাই যশক সুধিলে, "যুবৰাজে এতিয়াই পাটলিপুত্ৰলৈ যাব লাগেনে?"

"ওঁ, যাব লাগিবই।" যশে ক'লে।

"কিয়?" বিদিশাই সুধিলে।

"পিতৃ যেতিয়া মৃত্যুপথযাত্ৰী — পুত্ৰৰ উপস্থিতি হ'ল নৈতিক ধৰ্ম। আৰু — ৰাজনৈতিক দৃষ্টিৰ ফালৰপৰা বিচাৰ কৰি চালেও—মহান মগধসাম্ৰাজ্যক এক বৰ্বৰ যুৱৰাজে হস্তগত কৰি আপামৰ প্ৰজাৰ অমংগল সৃষ্টি কৰাৰ আঁচনিকো ছিন্নভিন্ন কৰিব লাগে। আৰু—বিশেষকৈ এই কাৰণেই—সেই বৰ্বৰ যুৱৰাজে যাতে মগধসাম্ৰাজ্যৰ সিংহাসন নাপায়—তাৰ কাৰণেই মহামন্ত্ৰী, মহাসেনাধিপতি আৰু ৰাজপুৰোহিত— আগ্ৰহৰে যুৱৰাজ অশোকলৈ উদগ্ৰ প্ৰতীক্ষাৰত হৈ আছে।" যশে একে উশাহেৰে কৈ গ'ল।

"কিন্তু —" বিদিশাই দ্বিধান্বিত কণ্ঠেৰে প্ৰায় নিজক কোৱাদিয়েই ক'লে, "কিন্তু — জ্যেষ্ঠৰ ৰাজ্যাধিকাৰক অস্বীকাৰ কৰি কনিষ্ঠই কিবা কৰাটো অন্যায় নহয়নে?"

"ভাতৃ মাত্ৰ এজনেই হোৱাহেঁতেন— কিঞ্চিতমান ন্যায়-অন্যায়ৰ প্ৰশ্নই মূৰ দাঙিলেইহেঁতেন। যি কি নহওক—দুষ্ট যুৱৰাজ সুশেমে সাম্ৰাজ্যাধিকাৰ পায় যদি — প্ৰজাৰ অমংগল, আৰু মগধ সাম্ৰাজ্যৰো যে বিনাশ হ'বই—এই কথাত মহামন্ত্ৰী মহাসেনাধিপতি ৰাজপুৰোহিত, আৰু ৰাজধানী পাটলিপুত্ৰৰ অন্য অন্য গণ্য-মান্য—সৱেই একমত।"

যশে অশোকক ক'লে, "বন্ধু, আৰু পলম নকৰিব, এহিক্ষণ ওলাওক। এই ক্ষেত্ৰত— এক মুহূৰ্তৰো অসামান্য মূল্য। উজ্জয়িনীৰ সৈন্যবাহিনীৰ আধাখিনি ইয়াত থাকিব, আৰু বাদবাকী বাহিনী আপোনাৰ সৈতে ওলাব।

★

তেতিয়া মাজনিশা। এক বিৰাট কক্ষত



অনুচৰ-বিলাকৰ সৈতে বৰ আয়মৰে বহি সুৰা পান কৰি যুৱৰাজ সুশেমে গ্ৰিক সুন্দৰীহঁতৰ নৃত্য একমনে চাই আছিল।

অকস্মাৎ তাত সেই নৰ্তকী দুজনীক দেখা পাই সুশেমে আচৰিত মানি কৈ উঠিল, "তোমালোক — ইয়ালৈ — কেনেকৈনো আহিলা ? সোমালাহি কেনেকৈ ?"

"আপোনাৰ প্ৰদত্ত ৰাজাঙ্গুৰীয়ৰ সহায়ত আহি পালোঁহি, যুৱৰাজ !" নাচনিয়াৰ দুজনীয়ে হাঁহি-হাঁহি ক'লে।

"যি কামত পঠালোঁ, কৰিব নোৱাৰিলা। ধৰাহে পৰিলা। গুপ্তচৰহতঁৰ যোগে সম্বাদ পালোঁ যে তোমালোক দুয়োজনীয়েই এতিয়া অশোকৰ ঘৈণীৰ লিগিৰী। সচাঁ নহয়নে ?" সুশেমে সুধিলে।

"সাঁচেকাটে সঁচা, যুৱৰাজ ! কিন্তু আপোনাৰ প্ৰদত্ত কাম পূৰা কৰিবলৈহে আমি সেই ভাও লৈছোঁ আমি।" নাচনিয়াৰ দুজনীয়ে একলগে ক'লে।

"তোমালোকৰ মতলব কি —?" সুশেমে সুধিলে।

নৰ্তকী দুজনীয়ে গ্ৰিক নৰ্তকীহঁতলৈ চালে।

সুশেমৰ ইংগিতত গ্ৰিক নৰ্তকীহঁত তাৰপৰা তৎক্ষনাৎ গুচি গ'ল।

"এতিয়া কোৱাঁ, সেই নীচমনা দাসীপুত্ৰ অশোকক তোমালোকে খতম্ কৰিব পাৰিলানে ?" সুশেমে ধীৰ-স্থিৰ কণ্ঠেৰেই নৰ্তকীদ্বয়ক সুধিলে।

"আমাক যেনেকৈ যি পুৰস্কাৰ দিব বুলি কৈছিল—পাহৰি যোৱা নাই নহয় যুৱৰাজ ?

প্ৰথমে সেই কথাটোকে আমাক কওক।" নৰ্তকী এজনীয়ে ক'লে।

"কেনেকৈ পাহৰিম ? মগধৰ সিংহাসনত মই অধিষ্ঠিত হোৱাৰ লগে লগে — সেই পুৰস্কাৰ দুগুণ কৰি দিম। এতিয়া কোৱাঁ, তাক খতম্ কৰিলা কেতিয়া আৰু কেনেকৈ ?" সুশেমে আগ্ৰহৰে নৰ্তকীদ্বয়ক সুধিলে।

"তেওঁক—এক মুহূৰ্তত খতম্ কৰাটো —টানেই। আমি তেওঁৰ খোৱাবস্তুত বিষ মিহলালোঁ, আৰু সেই বিষৰ প্ৰভাৱেৰে তেওঁ পক্ষাঘাতগ্ৰস্ত হৈ পৰিল। এতিয়া তেওঁ—সদা-সৰ্বক্ষণেই শয্যাশায়ী।" নৰ্তকী দুজনীয়ে গৌৰৱৰে ক'লে।

"বিষ আৰু অধিক মাত্ৰাত নিদিলা কিয় ? তেতিয়া সি চিৰটিকালৰ বাবেই

শুলেহেঁতেন।" সুশেমে কিঞ্চিত নিৰাশাভৰা কণ্ঠেৰে ক'লে।

"তেতিয়া আমাক তাতেই বন্দী কৰা হ'লহেঁতেন আৰু—আৰু হয়তো সকলো কথায়েই ফাদিল হৈ পৰিলহেঁতেন। কিন্তু—এতিয়া যি কৰিলোঁ, সেই কথা কাউৰী-কুকুৰায়ো গম নাপায়। ভাবি চাওকেই—যিজনে বিছনাতো উঠি বহিব নোৱাৰে, সিঙ্গাসনত বহিব কেনেকৈ ?" নান-বানী নৰ্তকী এজনীয়ে নানন পটলে ক'লে।

"তোমালোকে যে বঢ়িয়া কামকে কৰিলা—সেই কথাত মোৰ সন্দেহ নাই।" এই বুলি কৈ, ৰত্নহাৰ এধাৰ ডিঙিৰপৰা উলিয়াই আনি সুশেমে নৰ্তকীদুজনীৰ হাতত দিলে।

এনেতে কক্ষৰ দুৱাৰত খটখটনিৰ শব্দ উঠিল। সুশেমে কৈ উঠিল, "কৌন —? সোমাই আহাঁ।"

এজন দেহৰক্ষী সোমাই আহিল। দেহৰক্ষীয়ে যুৱৰাজ সুশেমক যথোচিত অভিবাদন কৰি ক'লে, "পাটলিপুত্ৰৰপৰা দুজন কটকী আহিল।"

"সিহঁতক ইয়ালৈ লৈ আহাঁ।" সুশেমে সেই দেহৰক্ষীজনক আদেশ দিলে।

প্ৰথমজন কটকীয়ে মহামন্ত্ৰী আৰু সেনাধিপতিয়ে চহী কৰা পত্ৰ সুশেমক দিলে। সেই পত্ৰত বৃদ্ধ মহাৰাজৰ নিদাৰুণ অসুস্থতাৰ কথা আৰু যিমান সোনকালে সম্ভৱ সুশেম পাটলিপুত্ৰলৈ আহিব লাগে—এইবোৰ কথা লিখা আছিল। দ্বিতীয়জন কটকীয়ে যিখন পত্ৰ দিছিল, সেইখনত সুশেমৰ মাতৃয়ে—অশোক উজ্জয়িনৰপৰা পাটলিপুত্ৰলৈ অহাৰ অগতে অৱশ্যেই আহি পাবলৈ সুশেমক লিখি পঠাইছিল। কিয়নো — অশোক যদি আগতে আছি পায়হি — বৃদ্ধ মহাৰাজে হয়তো অশোকৰ ৰাজ্যভিষেক পাতিব—ইত্যাদি।

কিন্তু সুশেমে কোনো ব্যস্ততা নেদেখুৱালে। সুশেমে হো-হোৱাই হাঁহি উঠি নৰ্তকী দুজনীলৈ চাই ক'লে, "তোমালোকে মোৰ যি মহান উপকাৰ সাধিলা, তাৰ জৱাব নাই। বেচেৰী মাতৃয়ে কেনেকৈ জানিব যে দাসীপুত্ৰ অশোক আৰু কস্মিনকালেও দূৰ পাটলিপুত্ৰলৈ যাব নোৱাৰিব ? মই খৰ-খেদা নকৰোঁ, ধীৰে-সুস্থিৰেই যাম পাটলিপুত্ৰলৈ।

সুশেমৰ ইংগিতত সুৰা বাকি দিয়া হ'ল।

কল্পনা আৰু বাস্তৱ

কিচকিচীয়া এন্ধাৰ আৰু নিমাওমাও দিগন্তবিয়পা পথাৰৰ মাজেদি কান্ধত বিৰাট মৃতদেহ কঢ়িয়াই লৈ মৰিশালিলৈ গৈ থকা অদম্য ৰজা বিক্ৰমাদিত্যক মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, “হে ৰজা বিক্ৰমাদিত্য, ইয়াকে বোলে সুখ নসহে ভূতে কিলায়। তুমি বিশাল ৰাজ্যৰ ৰজা হৈও কিয় যে এই অলাগতিয়াল-অসহন শ্ৰম যুগ যুগ ধৰি কৰি আছা, কি ফললৈ আশা কৰি আছা, তাৰ উমান নাপাওঁ, থাউনি নাপাওঁ তোমাৰ মহাধৈৰযৰ। তোমাক আন কোনোবাই কিবা পৰামৰ্শ দি কাবু কৰিলেনে ? ইমান কাল ধৰি কষ্ট কৰি কিনো পাবা তুমি ? আনৰ পৰামৰ্শ লৈ যদি আনৰ চকুৰে বাট বুলিছা, কল্পনাৰ সোঁতত উঠি যদি বাস্তৱক অস্বীকাৰ কৰিছা, তেনেহ’লে তোমাৰ অৱস্থাও শেহলৈ সেই ৰজা ধনুৰ্দ্ধৰৰ দৰে হ’ব পাৰে। তোমাক সাৱধান কৰিবলৈ মই ৰজা ধনুৰ্দ্ধৰৰ কাহিনী কওঁ শুনা।” এই বুলি কৈ বেতালে পুনৰ মুখ মেলিলে ঃ

বেতাল-কথা

বিস্ময় মানিব, যি-ধনুৰ কথা জগতৰ চুকে-কোণে নহ'লেও—এই অঞ্চলৰ দশো-দিশে বনাগ্নিৰ দৰেই বিয়পি পৰিব।"

মহামন্ত্রীয়ে দেশৰ য'তে যত ধনু-নির্মাণকাৰী পালে—ৰাজধানীলৈ মতাই অনালে। অটিনী, কর্ণিকা, স্কন্ধ, শংখ, পল্লৱ, লস্তক নামৰ ছয় ভাগৰ শাখানুসাৰ এক মহাধনুষ নির্মিত হ'ল। এই অভিনৱ ধনুপাট দেখাত হ'ল অভিনৱ আৰু অতি সুন্দৰ।

সকলোটিয়েই এনেহেন ক'তো কাহানিও নেদেখা ধনু দেখি বিস্ময় প্রকাশ কৰিলে, প্রশংসাৰ টো তুলিলে। এই ধনুৱে যে অর্জুনৰ গাণ্ডীৱকো চেৰ পেলালে—সেই কথাতো বহুতেই একমত হ'ল।

আৰু এক শুভ মুহূর্ত উলিয়াই—ৰজা ধনুর্দ্ধৰে এই অদ্ভুত-অভাৱিত-অভিনৱ ধনু হাতেৰে দাঙি এক বিশেষ লক্ষ্যবস্তুলৈ টোঁৱাই বাণ এৰি আজিৰ দিনৰ অর্জুনৰ ভাও দিলে।

সকলোটিয়েই ধনুর্দ্ধৰ ৰজালৈ ধইন ধইন কৰিলে। মহাৰাজৰ নাম যে ইমান দিনৰ অন্তত সার্থক হ'ল — সেই কথা দেশৰ ৰাইজে স্বতঃস্ফূর্তভাবে কোৱাটো মহাৰাজৰ কাণতো নপৰাকৈ নাথাকিল, আৰু ৰজা ধনুর্দ্ধৰ আনন্দ-সাগৰত উটি থাকিল।

এদিন ৰজা ধনুর্দ্ধৰ চিকাৰলৈ ওলাল। চিকাৰ কৰোঁতে সেই মহাধনু এজোপা গছৰ ঠাৰিত ঘঁহনি খাই এঠাইত সামান্য ভাগিল। চিকাৰৰপৰা উভতি আহি ৰজাই ধনুপাট ভালৰো ভালকৈ মেৰামতি কৰোৱালে, আৰু সেই ভগা ঠাই আৰু চকুত নপৰা হ'ল।

ধনুর্দ্ধৰ আছিল নিষধৰাজ্যৰ ৰজা। বহুদিনৰ পাছত এদিন হঠাতেই তেওঁ ভাবিলেঃ মোৰ নামৰ অনুসাৰ কোনো ধনু মোৰ নাই দেখোন! কিয় নাই? নাই যদি—কিয় মোৰ নাম হ'ল ধনুর্দ্ধৰ? নামটো হ'ব ধনুর্দ্ধৰ, নাথাকিব ধনু—এয়া যেন নেগুৰ নথকা হনু। গতিকে—যেনেকৈয়েই নহওক—মোৰ নামৰ জোখাৰে ধনু এপাট মোক লাগে।

ধনুর্দ্ধৰ ৰজাই তেওঁৰ মহামন্ত্রীক কথাটো ক'লে। ধনুর্দ্ধৰ ৰজাই ক'লে, "মহামন্ত্রী, ধনু নির্মাণকাৰী য'ত যিমান আছে — মতাই অনাওক আৰু সিহঁতক কওক যে—তাহানিৰ অর্জুনৰ গাণ্ডীৱৰ নিচিনা, শ্রীৰামচন্দ্রৰ কোদণ্ড ধনুষৰ নিচিনা, বা তাতোকৈ আচৰিত ধৰণৰ ধনু মোক লাগে — যি-ধনু চাই সকলোৱে

পাছদিনা ৰজাই তেওঁৰ ধনুৰ্বিদ্যাৰ শিক্ষাগুৰুক কথাষাৰ ক'লে। তেতিয়া গুৰুৱে সেই ধনুপাট অতি অভিনিৱেশৰে পৰীক্ষা-নিৰীক্ষা কৰিলে, এডাল লৌহ-শলাকাৰে ধনুপাটৰ জোখ-মাখ গভীৰভাৱে অনুধাৱন কৰিলে, আৰু তাৰ পাছত ধনু-শাস্ত্ৰ অধ্যয়নান্তে ৰজা ধনুৰ্দ্ধৰক ক'লে যে—এতিয়াৰপৰা এই ধনুৰদ্বাৰা ৰজাৰ অহিত-অনিষ্ট হ'ব পাৰে, তেওঁ অকস্মাৎ এদিন আনকি বিপাঙতো পৰিব পাৰে।

গুৰুৱে তেওঁৰ শিষ্য ৰজাক ক'লে, ‘‘গভীৰভাৱে দৃষ্টিপাত কৰাঁ, পদুমৰ এই পাপৰিৰো দুটা চুক আছে। এই লৌহ-শলাকাৰে জুখি-মাখি যদি পদুমৰ পাপৰিৰ সৈতে এক হয়—তেনেহ'লে এই ধনুষত কোনো দোষ নাই বুলি ক'ব পাৰি। কিন্তু এই পদ্মচক্ৰৰ আধাৰত জোখ-মাখৰ গৰ-মিল হৈছে যেতিয়া—এই ধনুষক দোষযুক্ত বুলি ক'বই লাগিব। গতিকে — এই ধনু যদি ধাৰণ কৰাঁ —কেতিয়াবা হয়তো বিলৈ-বিপাঙৰ সন্মুখীন হ'বা। মোৰ কথা মই ক'লোঁ, মান্য কৰা-নকৰা তোমাৰ কথা।’’

গুৰুৰ কথা সঁচা বুলি মানিলে ৰজাই। কিন্তু তথাপি ৰজা ধনুৰ্দ্ধৰে একোপধ্যেই এই মহাধনুৰ মোহ এৰিব নোৱাৰিলে। ৰজাই এই ধনু নোহোৱাকৈ, লগত নোলোৱাকৈ—ক'লৈকো নোলায়, আনকি ৰাজসভালৈকো নাহে— ৰজাৰ ওচৰত এই ধনুৰ ইমানেই আকৰ্ষণ।

কিছুদিনৰ অন্তত চুবুৰীয়া ৰজাই ৰজা ধনুৰ্দ্ধৰৰ নিষধ ৰাজ্য আক্ৰমণ কৰিলে। ধনুৰ্দ্ধৰ ৰজাই সেই মহাধনু হাতত লৈ যুদ্ধ কৰিলে। কিন্তু তেওঁ বেয়াকৈ পৰাজিত হৈ প্ৰাণৰ ভয়ত আৰু শত্ৰুৰজাৰ হাতত বন্দী হৈ অপমানৰ ভয়ত অৰণ্যলৈ পলাই গ'ল।

অৰণ্যৰ মাজেদি গৈ গৈ বহু দূৰ পালেগৈ তেওঁ। কিন্তু পৰিশ্ৰান্ত হৈ তেওঁ যেতিয়া এজোপা



বিৰিখৰ তলত বহিল, তেতিয়া বনবাসীহঁতে ৰজাক দেখা পালে, আৰু সিহঁতে এই কথা সিহঁতৰ চৰ্দাৰক ক'লেগৈ।

চৰ্দাৰে ৰজা ধনুৰ্দ্ধৰক চিনি পালে আৰু ৰজাক প্ৰণাম কৰাৰ অন্তত ক'লে, "মহাৰাজ, আমাৰ ৰাজ্য যে শত্ৰুৰজাই আক্ৰমণ কৰিছিল —জানো আমি। আপুনি কিছুদিনলৈ আমাৰ লগতে থাকক। যেতিয়া পৰিস্থিতি শান্ত হ'ব, তেতিয়া আমি আপোনাৰ হৈ যুঁজি শত্ৰু ৰজাক নিষধৰাজ্যৰপৰা খেদিম, আৰু আপুনি পুনৰ আপোনাৰ সিংহাসনত বহিবগৈ।

"ৰজা ধনুৰ্দ্ধৰে বনবাসীহঁতৰ চৰ্দাৰৰ কথাৰ উত্তৰত একো নোকোৱাকৈ পৰিস্থিতিৰ কথা চিন্তা পৰি থাকিল।"

বনবাসীহঁতে সদায়-হাতত ধনু-কাঁড় লৈ ঘূৰা-ফুৰা কৰে। কিন্তু সিহঁতৰ ধনু কাঁড়বোৰ দেখাত তেনেই সাধাৰণ আৰু সৰু। ৰজা ধনুৰ্দ্ধৰে বনবাসীহঁতৰ চৰ্দাৰ আকিলাক ক'লে, "দেখিছানে মোৰ ধনুষ ? এই ধনুষ তোমালোকে হয়তো দাঙি ধৰি কঁড়িয়াবই নোৱাৰিবা।"

চৰ্দাৰ আকিলাই বিনম্ৰভাৱে ক'লে, "মহাৰাজ, এই কথা আপুনি নিশ্চয় জানে যে—সকলো কথাৰ আঁৰত কিবা নহয়-কিবা শাস্ত্ৰীয় নিয়ম-পদ্ধতি আছে। আমি ৰথত বহি, অশ্বত উঠি, বা হস্তীৰ পিঠিত বহি ধনু-কাঁড় নচলাওঁ, শত্ৰুৰ মুখামুখি হৈহে তয়াময়া কৰোঁ। ঘাইকৈ — আৰণ্যক অন্যান্য প্ৰাণীৰ আক্ৰমণৰপৰা আত্মৰক্ষাৰ কাৰণেহে আমাৰ এই সাধাৰণৰো সাধাৰণ ধনু-কাঁড়। কিন্তু গাইগুটীয়াভাৱে নহ'লেও—সম্মিলিতভাৱে এই সাধাৰণ ধনু-কাঁড়েই অসাধাৰণ হৈ উঠে, আৰু শত্ৰুক থালীভগা জুয়ে খেদা দি খেদে। আমাৰ এই ধনুও শাস্ত্ৰ মতে সজা হয়। যদি শাস্ত্ৰ মতে কিবা দোষ বিচাৰি পোৱা যায়—সেই ধনু আমি ব্যৱহাৰ নকৰোঁ।"

তেতিয়া ৰজা ধনুৰ্দ্ধৰৰ মনত পৰিল গুৰুৰে কোৱা সাৱধান-বাণীলৈ। কিন্তু তথাপি তেওঁ তেওঁৰ মৰমৰ ধনুপাট নেৰিলে। আৰু — মাত্ৰ সাত দিনৰ অন্তত শত্ৰুৰজাই এই অৰণ্যত থকা বনবাসীহঁতক এই মহাৰণ্যৰ চাৰিওফালৰপৰা আগুৰি ধৰিলে।

বনবাসীহঁতক ৰাজকীয় সৈন্যবাহিনীৰ বিৰুদ্ধে যুদ্ধ কৰাৰ ক্ষমতালৈ ৰজা ধনুৰ্দ্ধৰৰ মনত তিলমানো আস্থা বা নিৰ্ভৰতা নাছিল।

তেওঁ নিজৰ দুৰ্ভাগ্যক দূষি তাৰপৰা পুনৰ পলাল আৰু সেই অৰণ্যৰ সিমূৰত থকা এক পৰিত্যক্ত জৰাজীৰ্ণ মন্দিৰত বাধ্যত পৰি লুকাই থাকিলগৈ।

কিন্তু কিছু সময়ৰ অন্তত যেতিয়া ৰজা ধনুৰ্দ্ধৰ ক্ষুধাৰ্ত হৈ পৰিল, তেতিয়া কোনো উপায় নেদেখি—আহাৰৰ বাবে বনৰীয়া ফল-মূলকে বিচাৰি মন্দিৰৰপৰা ওলাল, আৰু এই দুৰ্ভাগ্যজনক পৰিস্থিতিৰ বাবে তেওঁ অৱশেষত তেওঁৰ এই মহাধনুকে দায়ী কৰিলে, আৰু ভোকত জলা-কলা দেখি খঙতে একোনাই হৈ—সেই মহা আকৰ্ষণীয় মহাধনুপাট ডাঙৰ এচটা শিললৈ দলিয়াই পেলালে। আৰু—চকুৰ পচাৰ নৌ পৰোঁতোই সেই মহাধনুপাট টুকুৰা-টুকুৰ হৈ পৰিল।

কিন্তু—কিবা এটা দৃশ্য দেখা পাই—ৰজা ধনুৰ্দ্ধৰ সেই শিলচটাৰ কাষ চাপিগৈ। তেওঁ সবিস্ময়ে দেখা পালে যে—কেৱল মহাধনুয়েই নহয়, সেই বিৰাট শিলচটাও ডোখৰ-ডোখৰ হৈ পৰিছে, আৰু সেই শিলচটাৰ তলত এক বত্ন-ভঁৰাল ওলাই পৰিছে! শিলচটাৰ তলত চাৰিটা বাকচৰূপী চন্দুক আছিল, আৰু সেইবোৰ চন্দুকত হীৰা-জহৰত, মণি-মুকুতা, চেকুৰা-চেকুৰ সোণ আৰু থৰে-বিথৰে সোণৰ মুদ্ৰাও আছিল। বিস্ময়ৰ কোবত হতভম্ব ৰজা ধনুৰ্দ্ধৰ অলৰ-অচৰ হৈ সেই বিপুল গুপ্তধনলৈ পলকহীন চাৱনিৰে চাই থাকিল।

এনেতে চৰ্দাৰ আকিলা লৰবি-ধাপবি ৰজা ধনুৰ্দ্ধৰৰ ওচৰলৈ আহিল, আৰু কৈ থাকিল, "যদিও শত্ৰুৰজাৰ আগত আমাৰ যুদ্ধ-কৌশল নিচেই তুচ্ছ, তথাপি—হে মহাৰাজ, এই অৰণ্যত আমি আৰণ্যকহঁতেই শত্ৰুসৈন্যক কুচকটা দিছোঁ, বেয়াকৈ পৰাজিত কৰিছোঁ, আৰু শত্ৰুৰজাক বন্দীও কৰিছোঁ।"

ৰজা ধনুৰ্দ্ধৰে চৰ্দাৰ আকিলাক বুকুত আঁকোৱালি ল'লে আৰু পাছত সেই সুবিপুল ধন-ৰত্নৰাশিৰে সৈতে পুনৰ ৰাজধানীলৈ বুলি খোজ ল'লে।

ৰজা ধনুৰ্দ্ধৰে যেতিয়া ৰাজপ্ৰাসাদ পালেগৈ, তেতিয়া তাত মহামন্ত্ৰী আৰু ৰাজগুৰু ৰৈ আছিল। তেওঁলোকে এই বিপুল ধন-ৰত্ন দেখা পাই আৰু তাৰ কাহিনী শুনি বিস্মিত কণ্ঠেৰে ক'লে, "মহাৰাজ, আপুনি যি গুপ্তধন পালে — সেই গুপ্তধন — আচলতে একালৰ সেই মহাজীৱন্ত মন্দিৰৰ ধন। আপুনি শাস্ত্ৰোক্তমতে ধন-যজ্ঞ পাতি দোষমুক্ত হওক,

আৰু আমাৰ পূৰ্ব-পূৰ্ব ৰজা-মহাৰজাসকলৰ আত্মাৰ শান্তি কামনা কৰক। আপুনি প্ৰকৃততেই ৰজা ধনুৰ্দ্ধৰ, কিয়নো—আপোনাৰ সেইপাট ধনুযেই এই ধনৰ ভঁৰাল আপোনাক—তথা দেশৰ আপামৰ প্ৰজাকো দিলে।

ৰাজগুৰুৱে মহামন্ত্ৰীৰ কথাত হাঁহি মাৰি ক'লে, "ওঁ, মহান মহাৰাজ ধনুৰ্দ্ধৰে দোষযুক্ত মহাধনু ভাঙিলে, আৰু লগে লগে ধনু-দোষ-মুক্তহৈ ধন-ৰত্নৰ ভঁৰালী হৈ পৰিলে!"

ৰজা ধনুৰ্দ্ধৰৰ কাহিনী ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! ৰজা ধনুৰ্দ্ধৰৰ মহামন্ত্ৰী আৰু ৰাজগুৰুক অতি বুদ্ধিমন্ত যেন পাইছোঁ। কিন্তু—এটা কথা মই একোপধ্যেই বুজি নোপোৱা হৈছোঁ যে—ৰজা ধনুৰ্দ্ধৰৰ ধনুৰ্বিদ্যাৰ শিক্ষাগুৰুৱে যিপাট ধনুক দোষযুক্তবুলি ঘোষণা কৰিছিল, সেই একেইপাট ধনুক ৰাজগুৰুৱে—দোষমুক্তবুলি কেনেকৈ ক'লে? কাৰ কথা সঁজতুৱা? কোননো প্ৰত্যয়যোগ্য? ৰাজগুৰু নে ধনুৰ্বিদ্যাৰ শিক্ষাগুৰু? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া — তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব যে—সেই কথা নিশ্চয় বুলি জানিবা, আৰু তোমাৰ ভৱিষ্যতৰ কথা চিন্তি সদুত্তৰ থিৱাং কৰিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, প্ৰকৃত কথা হ'ল এয়ে যে—কাল আৰু পৰিস্থিতিৰ প্ৰভাৱেৰে মনুষ্যৰ জীৱনত ভাগ্যোদয় আৰু ভাগ্য-বিপৰ্য্যয়ো ঘটে। ৰজা ধনুৰ্দ্ধৰৰ ধনুৰ্বিদ্যাৰ শিক্ষাগুৰুৱে শাস্ত্ৰৰ কথা আখৰে-আখৰে বিশ্বাস কৰিছিল। আৰু—ৰাজগুৰুৱে বাস্তৱত যি ঘটিছিল মাত্ৰ সেই কথাকে কৈছিল। ৰাজগুৰুৱে কল্পনাৰ সোঁতত উটি বাস্তৱতাক অস্বীকাৰ কৰা নাছিল, আৰু কোনো কাল্পনিক আধিদৈৱিক প্ৰজ্ঞাৰো আশ্ৰয় লোৱা নাছিল। গতিকে —দৰাচলতে শিক্ষাগুৰু-ৰাজগুৰু দুয়োগৰাকীয়েই তেওঁলোকে বিশ্বাসকৰা আত্ম-সত্যক দাঙি ধৰিছিল বুলি ক'ব পাৰি।"

এই উত্তৰ দিয়াৰ লগে লগেই ৰজা বিক্ৰমাদিত্যৰ মৌনভংগ হ'ল, আৰু মৌনভংগৰ চৰ্তমতে বেতালে সেই আওপুৰণি শ'টো লৈ সাউৎকৰে তাৰপৰা গুচি গৈ পুনৰ সেই শ'টো সেই একেই গছজোপাৰ ডালত ওলোমাই থোৱা হ'ল। [কল্পিত

তেজৰ তলৰ মৰম

কোনোবা এখন গাঁৱত দশৰথ নামৰ এজন মানুহ আছিল। দশৰথৰ দুজন ল'ৰা, দুয়োজনেই বৰ ভাল স্বভাৱৰ ল'ৰা। ডাঙৰজনৰ নাম ৰাম, আৰু সৰুজনৰ নাম লক্ষ্মণ।

দুয়ো প্ৰকৃততেই ৰাম-লক্ষ্মণৰ দৰে আছিল। দুয়োৰো মাজত আছিল সদ্‌ভাব। মাতৃ-পিতৃৰ প্ৰতি ভক্তি আছিল, আনকি চুবুৰীয়াসকললৈকো সিহঁতৰ মাজত যথেষ্ট প্ৰেম-প্ৰীতি পৰিলক্ষিত হৈছিল।

দুয়ো ডাঙৰ-দীঘল হ'ল, বিয়া কৰালে, আৰু বুঢ়া দেউতাকক আৰু বুঢ়ী মাককো কষ্টকৰ কাম-কাজৰপৰা ৰেহাই দিবলৈ ধৰিলে।

কেইবছৰমানৰ অন্তত ৰাম-লক্ষ্মণৰ মাক-দেউতাক ঢুকাল। কিন্তু অৱস্থাৰ কোনো পৰিৱৰ্তন নহ'ল, দুয়ো ভাই-ককাই মিলাপ্ৰীতিৰেই আগৰদৰেই থকা হ'ল। দুয়োজনেই খেতি-বাতিৰ কাম একেলগেই কৰি থাকিল।

ডাঙৰ ৰামৰ কোনো ল'ৰা-ছোৱালী নাছিল। আৰু—সৰু লক্ষ্মণৰ দুজনী ছোৱালী আৰু তিনিজন ল'ৰা আছিল।

ঘাইকৈ এই কাৰণত দুয়োজনী ঘৈণীয়েকৰ মাজত সদা-সৰ্বক্ষণেই কাজিয়া-পেচাল দন্দ-বান্দ উখনা-উখনি। কামৰ কথাত কাজিয়া। কোনজনীয়ে কিখিনি কাম কৰিলে বা কৰিব—সেই কথাতে বাচ্যা-বাচ্যি।

ভায়েক-ককায়েকে ঘৈণীয়েক দুজনীৰ মাজত চলি থকা এই কাজিয়া বন্ধ কৰিবলৈ বহুদিন ধৰি বহু ধৰণে চেষ্টা কৰিলে। কিন্তু সিহঁত ব্যৰ্থ হ'ল। তেতিয়া—এই ঘৰুৱা কাজিয়া-পেচাল বন্ধ কৰাৰ মাত্ৰ এটাহে উপায় থাকিলগৈ। সেই উপায়টো হ'ল — চৰু বেলেগ কৰা।

আৰু—আন একো উপায় নেদেখি তাকেই কৰা হ'ল। যাৰ-যাৰ তাৰ-তাৰ চৰু হ'ল। খেতি-পথাৰো ভগাই লোৱা হ'ল। কিন্তু তথাপি ভায়েক-ককায়েকৰ মাজত ওপোজাৰ দিনৰেপৰাই থকা সহজ মিলাপ্ৰীতিৰ ভাব নোহোৱা নহ'ল।

'পঁচিছ বছৰৰ আগৰ চান্দমামাত প্ৰকাশিত কাহিনী'

এবছৰ হামাৰভাৱে শস্য উপজিল। যেতিয়া শস্য চপাবৰ হ'ল—তেতিয়াৰপৰা সিহঁত দুয়ো খেতি-পথাৰতে পৰ দি বৈ থকা হ'ল। দুপৰীয়াৰ আহাৰৰ সময়ত ৰামে লক্ষ্মণক ক'লে, "ঐ লক্ষ্মণ, মই খাই আহোঁগৈ, তাই পাছত যাবি। মই উভতি নহালৈকে খেতি-পথাৰত চকু দিবি।"

ৰাম গুচি যোৱাৰ পাছত লক্ষ্মণে ভাবি থাকিলঃ মোৰ তিনিটা ল'ৰা আৰু দুজনী ছোৱালী। ডাঙৰটো ল'ৰাই আৰু তিনি-চাৰি বছৰতে খেতি-পথাৰত কাম-বন কৰাৰ লায়ক হৈ উঠিব আৰু তেতিয়া মই জিৰণি পাম। কিন্তু—বেচেৰা ককাইদেউৰ কি হ'ব ? তাৰ তো ল'ৰা ছোৱালীও নাই—বুঢ়া বয়সত চাওঁতা-চিতোঁতাও নাই। ককাইদেউৰে যদি এতিয়াৰেপৰাই ধন নাসাঁচে, বুঢ়া বয়সত আলৈ-আথানিত পৰিব। মই যদি তাৰ সাঁচনত সহায় কৰিবলৈ বিচাৰোঁ, ককাইদেউৰে মোৰ এই সহায় মানি নল'ব। আৰু—তেওঁ মানি ল'লেও নবৌয়েৰাই নহয়-নালাগে বুলি নিশ্চয় ক'ব। —এইবোৰ কথা ভাবি ভাবি বিশেষ উপায় এটা উলিয়াই—লক্ষ্মণে তাৰ শস্যাৰপৰা প্ৰচুৰ পৰিমাণে শস্য তাৰ ককাইদেউৰ ভাগৰ শস্যৰ সৈতে মিলাই থৈ দিলে।

তিমানতে ককায়েক ৰাম খাই-বৈ উভতি আহিল, আৰু তেতিয়া মৰমৰ ভায়েক লক্ষ্মণ ঘৰলৈ গ'ল ভাত খাবলৈ।

লক্ষ্মণ গুচি যোৱাৰ অন্তত ৰামে ভাবি থাকিলঃ এই বছৰ ভাল শস্য উপজিল। কিন্তু—লক্ষ্মণৰনো কি লাভ হ'ল ? তাৰ পৰিয়ালখন ডাঙৰ, তাৰ খৰচো ঢেৰ। কিন্তু মোৰ ল'ৰা নাই ছোৱালী নাই—কেৱল আমি দুটা। গতিকে—আমাৰ খৰচ বোলা প্ৰায় একো নাই বুলিয়েই ক'ব পাৰি। মই মৰাৰ পাছত—মোৰ দায়িত্ব বোলাও প্ৰায় একোৱেই নাথাকিব। অথচ—লক্ষ্মণ ককৰকাই থাকিব। গতিকে—তাক যেনেতেনে সহায় নকৰিলেই নহয়। অথচ সহায় কৰাৰ কথা কোৱামাত্ৰেই সি লক্ষ্মণে নিশ্চয় আপত্তি দৰ্শাব। কিন্তু লক্ষ্মণে যদি মানি লয়ও, তাৰ পৰিবাৰে মানি ল'ব জানো ? কদাপি নলয়। যিহে দন্দুৰী ! তথাপি—লক্ষ্মণ মোৰ ভাই, তাক সহায় কৰাটো মোৰ ধৰ্ম।

— এই বুলি ভবাৰ অন্তত ইফালে-সিফালে চাই—লক্ষ্মণ উভতি অহাৰ আগে আগে ককায়েক ৰামে তাৰ শস্যৰপৰা বুজন পৰিমাণৰ শস্য লক্ষ্মণৰ ভাগৰ শস্যৰ সৈতে মিলাই দিলে আৰু তাৰ পাছত সাত-সোতৰ একো নজনাটো হৈ—যেনিবা কঁঠাল গুটিৰে বৰশী বাবলৈ ধৰিলে।

সাগৰৰ পাৰে পাৰে আছে কত ৰঙ্গ খোজেপতি আহ্বানে বঙ্গ–তৰঙ্গ

ৰচন : মীৰা নায়াৰ ✱ আঁকন : গোপকুমাৰ

এতিয়া আমি মন্দিৰ-দ'লৰ দেশ ওড়িশা এৰি একালৰ বঙ্গদেশ এতিয়াৰ সেই পশ্চিমবঙ্গলৈ বুলি খোজ ল'ম, যি পশ্চিমবঙ্গকে সাহিত্য সংস্কৃতিৰ অন্যতম পীঠস্থান বুলি অভিহিত কৰা হয়।

ওড়িশাৰ সাগৰতীৰ এৰি এতিয়া আমি পালোঁগৈ পশ্চিমবঙ্গৰ দ্বিতীয় বৃহত্তম জিলা মেদিনীপুৰ আৰু তাৰে সংলগ্ন কাঁথিৰ সাগৰতীৰ। মেদিনীপুৰৰ ঢাৰি-পাটী অতি বিখ্যাত, যি ঢাৰি-পাটী হোগ্‌লা নামৰ এবিধ ঘাঁহৰপৰা প্ৰস্তুত কৰা হয়। এই জিলাৰ মাটি অতি সাৰুৱা, আৰু সেইহে—ইয়াত ধান, আম, কঁঠাল, কল আৰু নাৰিকলৰ প্ৰচুৰ ওপজ।

পশ্চিমবঙ্গত যদিও বকখালি, জুনপুট আদি সাগৰবালি আছে, তথাপি, আটাইতকৈ আকৰ্ষণীয় হ'ল *দীঘা* সাগৰ-বালি। দীঘাৰ সাগৰবালি দীঘলে ৮ কিল'মিটাৰ আৰু ভাৰতৰ অন্যতম মনোৰম সাগৰবালি। ইংৰাজ-আমোলত দীঘা 'বীৰকুল' নামেৰে জনাজাত আছিল, আৰু বঙ্গৰ প্ৰথম গাভাৰ্নাৰ জেনাৰ‍্যাল ওৱাৰেন হেস্টিংছে এই ঠাইক, অৰ্থাৎ—দীঘাক—'পূৰ্বদেশৰ ব্ৰাইটন' বুলি আখ্যা দিছিল।

সাগৰত ভাটাৰ সময়ত দীঘাৰ সাগৰবালিত অনায়াসে মোটৰগাড়ী চলাব পাৰি। আনকি কম ওজনৰ উৰাজাহাজো—হেলিকপ্টাৰও অৰ্থাৎ নমাব পাৰি।

কাঁথি-সাগৰবালি যিঠাইত শেষ হৈছে, সেই ঠাইত গঙ্গা নৈ—অৰ্থাৎ হুগলী নৈ সাগৰত পৰিছেগৈ। এই ঠাইত স্মৰণাতীত কালৰেপৰাই সমুদ্ৰপোতৰ আহ-যাহ আছিল।

দীঘা-সাগৰবালি





জোব চাৰ্নকৰ সমাধি

তাম্ৰলিপ্ত অৰ্থাৎ বৰ্তমানৰ *তমলুক* — খৃষ্টপূৰ্ব ৬ আৰু ৫ শতিকাত আছিল জগতবিখ্যাত সামুদ্ৰিক বন্দৰ। বুদ্ধদেৱৰ জ্ঞানবৃক্ষ — বো-বৃক্ষ সিংহলদেশলৈ নৌকাযোগে প্ৰেৰণ কৰাৰ কালত সম্ৰাট অশোক তাম্ৰলিপ্ত বন্দৰলৈ আহিছিল।

হুগলী নৈৰ তীৰত থকা *সূতানুটি* আছিল এখন প্ৰায় নিমাওমাও গাঁও। হুগলী নৈৰ পলসৰ আধিক্যৰ বাবে বাণিজ্য-জাহাজবোৰ নঙৰ কৰা অতি টান হোৱাত বণিজাৰহঁতে সূতানুটিত এখন হাটৰ পত্তন কৰিছিল। সূতানুটি গাঁৱত আছিল বিৰাট এজোপা আঁহত গছ, আৰু এই আঁহতজোপাৰ তলত বেপাৰীহঁতে মেল কৰিছিল। মেল কৰা ঠাইডোখৰক বাংলাত *'বৈঠকখানা'* বুলি কৈছিল। এই বৈঠকখানাতে এওঁলোকে হোকাৰে ধোঁৱাখোৱাৰ লগতে লগতিয়াল কথা পাতিছিল, বস্তু-সামগ্ৰীৰ বেচা-কিনাও কৰিছিল। ১৬৯০ চনৰ কোনোবা এক দেওবাৰে ইস্ট-ইণ্ডিয়া কম্প্যানিৰ অন্যতম বিষয়া জোব চাৰ্নকে এই ঠাইডোখৰ পৰিদৰ্শন কৰিছিল আৰু এই 'বৈঠকখানা'ত কম্প্যানিৰ মাল ৰখা গুদাম পাতিছিল। বৈঠকখানাৰ সেই কিংবদন্তিমূলক আঁহতজোপা ১৮২০ চনত ওৱাৰেন হেস্টিংছে কাটি পেলাইছিল।

আজিৰ এই মহানগৰ কলিকাতা হ'ল—সূতানুটি, গোবিন্দপুৰ আৰু কলিকাতা নামৰ তিনিখন গাঁও। এই তিনিখন গাঁও সম্ৰাট ঔৰংজেবৰপৰা মিয়াদী পট্টা হিচাপে লৈ ইস্ট ইণ্ডিয়া কম্প্যানিৰ বিষয়া জোব চাৰ্নকে কলিকাতা মহানগৰীৰ পত্তন কৰিছিল।

জোব চাৰ্নক আছিল কলিকতাৰ প্ৰথম গাভাৰ্নাৰ। তেওঁ এগৰাকী বাঙালী নাৰীক পতিৰ জ্বলন্ত চিতাত সতী যোৱাৰপৰা ৰক্ষা কৰিছিল আৰু সেই নাৰীগৰাকীক বিবাহ কৰি আমৃত্যু কলিকতাতে বসবাস কৰিছিল। কলিকতাৰ ছেইন্ট জনছ চাৰ্চত জোব চাৰ্নকৰ সমাধি বিদ্যমান।

'কলিকাতা'ৰ বিকৃত উচ্চাৰণেই হ'ল *ক্যালকাটা*। কলিকাতাক ক্যালকাটা নামেৰে অভিহিত কৰাৰ গুৰিত ইংৰাজসকলৰ উচ্চাৰণগত অক্ষমতা।

ভাৰতৰ ১১খন প্ৰধান বন্দৰৰ অন্যতম কলিকতা হ'ল একমাত্ৰ নৈপৰীয়া বন্দৰ। কলিকতা বন্দৰ সাগৰৰপৰা ২৩২ কিল'মিটাৰ দূৰত্বত অৱস্থিত। এই বন্দৰৰ নাব্যতা বজায় ৰাখিবলৈ প্ৰতিদিনেই বিৰাট পৰিমাণে পলসুৱা মাটি নৈৰপৰা খান্দি উলিয়াই পেলাব লাগে। কলিকতা বন্দৰক পৰিপূৰ্ণভাৱে সচল ৰখাৰ বাবে ১৯৭৭ চনত হলদিয়া বন্দৰৰ পত্তন পৰা হৈছিল। হলদিয়া বন্দৰ হ'ল পৃথিৱীৰ সৰ্ববৃহৎ নদীমুখ থকা অন্যতম বন্দৰ।

ছেইন্ট জনছ চাৰ্চত থকা জোব চাৰ্নকৰ সমাধি

১৯৪৩ চনলৈকে, এক সুদীৰ্ঘ পনটুন্ ব্ৰিজৰ (নাৱেৰে কৰা দলং) দ্বাৰা ভাৰতৰ লিভাৰপুল বুলি কথিত বঙ্গৰ ক্ষুদ্ৰতম জিলা তথা নগৰ *হাওড়াৰ* সৈতে সংযুক্তআছিল। এই পনটুন্-দলংখন পানীৰ ওপৰত ওপঙি থাকিছিল আৰু নৈয়েদি জাহাজ চলাচলৰ বাবে কোঁচাই লোৱা হৈছিল, আৰু জাহাজ পাৰ হৈ যোৱাৰ পাছত পুনৰ যুক্ত কৰা হৈছিল। কিন্তু পাছত যেতিয়া কলিকাতা আৰু শিল্প-নগৰী হাওড়াৰ মাজত যান-বাহন চলাচল অত্যধিক হৈ উঠিল, তেতিয়া



ৰবীন্দ্ৰ সেতু

নাৱেৰে কৰা দলঙৰ সলনি বৰ্তমান ৰবীন্দ্ৰ সেতু নিৰ্মাণ কৰা হৈছিল। এই সেতু ৪৫৭ মিটাৰ দীঘল, যানবাহনৰ বাবে ৮ ছোৱা বাট আছে, আৰু আছে ২ ছোৱা ফুটপাথ। ৰবীন্দ্ৰসেতু হ'ল পৃথিৱীৰ ব্যস্ততম সেতু। সদ্যহতে এই সেতুৰপৰা কিছু আঁতৰত দ্বিতীয় হুগলী সেতুও নিৰ্মিত হৈছে।

হাওড়াৰ শিৱপুৰস্থিত ব'টানিক্যাল গাৰ্ডেন ১৭৮৬ চনত প্ৰতিষ্ঠিত। এই বিশাল ব'টানিক্যাল গাৰ্ডেন বিশ্বত বৃহত্তম। দেশীয় বৃক্ষাদিৰ উপৰিও ইয়াত কমেও ১২০০০ প্ৰজাতিৰ বৈদেশিক গছ-গছনি আছে। বৈদেশিক গছ-গছনিৰ ভিতৰত আমাজোন নৈৰ বিশালাকাৰ ওৱাটাৰ লিলি (জল-পদুম), মালাক্কাৰ নাটমেগ গছ, পশ্চিম আফ্ৰিকাৰ তেল থকা তালগছত ২৪ মিটাৰ ওখ *ক্যাৰিফা ইলাটা* আদিৰ নাম উল্লেখনীয়। ক্যাৰিফা ইলাটা, ৪০ বছৰত এবাৰহে মাত্ৰ এটি ফুল ফুলে।

এই ব'টানিক্যাল গাৰ্ডেনত থকা বিৰাটতম বড়-গছৰ আয়তন হ'ল—২৪.৪ মিটাৰ উচ্চ, পৰিধি বা মেৰ হ'ল ৩৬৬ মিটাৰ। পৃথিৱীৰ এই বিশালতম বড়জোপাৰ গুৰি-গছ নাই, কিন্তু এহেজাৰবো অধিক সংখ্যাত শিয়া আছে, আৰু এইবোৰ শিপাও বৃক্ষৰ আকাৰ লৈছে, আৰু নিতৌ নতুনকৈ শিপাইছে।

ব'টানিক্যালৰ সুবিখ্যাত বড়

এই উদ্ভিদ-বাগিচাত কমেও ২৫ লাখবিধৰ শুষ্ক উদ্ভিদ আছে, আৰু আছে উদ্ভিদ-বিষয়ক অতি মূল্যবান পুস্তকাদিৰ সংগ্ৰহশালা। এই সংগ্ৰহশালাত উদ্ভিদ-বিদ্যা, বন-বিদ্যা, কৃষিবিদ্যা, ভূবিদ্যা, আৰু কীটতত্ত্ব-বিষয়ক হাজাৰ হাজাৰ পুস্তক পৰিলক্ষিত হয়।

*বেলুড়*ত আন্তৰ্জাতিক ৰামকৃষ্ণ মিশ্যন অৱস্থিত। এই মিশ্যন হাওড়াৰ উত্তৰ দিশত ১৮৯৯ চনত স্বামী বিবেকানন্দৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছিল। বিবেকানন্দ আছিল ৰামকৃষ্ণ পৰমহংসদেৱৰ শিষ্য।



দক্ষিণেশ্বৰ কালী-মন্দিৰ

বেলুড় মঠ হ'ল এই সৰ্বধৰ্মসমন্বয়মূলক বিশ্বাসৰ প্ৰতীক। এই মঠ হিন্দু-মন্দিৰ, খৃষ্টীয় গীৰ্জা, আৰু মুছলিম-মছজিদৰ সমন্বয়েৰে সজোৱা হৈছে।

দক্ষিণেশ্বৰ কালী-মন্দিৰ হুগলী নৈৰ তীৰত অৱস্থিত। এই মন্দিৰত মহাপুৰুষ ৰামকৃষ্ণ পৰমহংসদেৱে পুৰোহিতৰ কৰ্তব্য পালন কৰিছিল। এই মন্দিৰ ১৮৪৭ চনত নিৰ্মিত তথা প্ৰতিষ্ঠিত হৈছিল। এই মন্দিৰত পৌৰোহিত্য কৰি থাকোঁতেই শ্ৰীৰামকৃষ্ণদেৱে সৰ্বধৰ্মসমন্বয়ৰ পৰমজ্ঞান তথা দিব্যদৃষ্টি লভিছিল বুলি কোৱা হয়।

কলিকতাৰ *কুমাৰটুলি* নামৰ এলেকা হ'ল ঘাইকৈ কুমাৰ তথা মৃৎশিল্পীসকলৰ এলেকা। কলিকতা মহানগৰত যিমান দুৰ্গা গোসাঁনীৰ পূজা হয়—সিসকল দুৰ্গাগোসাঁনীৰ মূৰ্তিৰ প্ৰায়ভাগেই এই কুমাৰটুলিৰ কুমাৰশিল্পীসকলে নিৰ্মায়। দুৰ্গাপূজাৰ অন্তত এই আতি অনুপম নয়ন-মনোহৰ অপূৰ্ব মূৰ্তিসমূহ নৈৰ বুকুলৈ বিসৰ্জিত হয়।

দুৰ্গাপূজাৰ ইত্তিবৃত্তস্বৰূপে কোৱা হয় যে—হিমালয়-পুত্ৰী দুৰ্গা, অৰ্থাৎ পাৰ্বতী এসময়ত হিমালয়-প্ৰভু শিৱৰ প্ৰেমত পৰিল। কিন্তু পাৰ্বতী-মাতৃ মেনাই এই কথাত অকণোকে ভাল নাপালে। কিয়নো—শিৱ হ'ল থানথিত নোহোৱা এক চেৰা-বলিয়া দেৱতা। শিৱ-পত্নীয়ে যে নানান কথাত নাকনি-কাননি খাব লাগিব—সেই কথা এটা পানী-কেঁচুৱায়ো ক'ব। কিন্তু পাৰ্বতীয়ে মাকৰ কথাত মকমকালে, আৰু শিৱক বিয়া কৰাবহে কৰাব বুলি কৈ, কঠোৰ ব্ৰতৰ যোগেদি শিৱলৈ তপস্যাত ধৰিলে।

পাৰ্বতীৰ একনিষ্ঠ নিষ্ঠাৰে মুগ্ধ হৈ শিৱই পাৰ্বতীক বিয়া কৰাই কৈলাসপৰ্বতলৈ লৈ গ'ল। পাৰ্বতীৰ মাতৃ-পিতৃয়ে পাৰ্বতী ঘূৰি অহালৈ বাট চাই ৰ'ল, কিন্তু পাৰ্বতী—তেওঁলোকে আশা কৰা মতে ঘূৰি নাহিল। পিছে বছৰি এবাৰকৈ তেওঁলোকক চাবলৈ আহি থাকিল। বাঙালীসকলৰ মাজত এই বিশ্বাস প্ৰোথিত যে দুৰ্গাপূজা হ'ল দৰাচলতে দুৰ্গাৰ মাতৃগৃহলৈ আগমন।

দুৰ্গা গোসাঁনীৰ মৃৎ-মূৰ্তি

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

কবিতাৰ বাৰ-ছিটা

সীতাপুৰৰ সামন্তৰজা সুমংগলদেৱৰ সভাত যোগীন্দ্ৰ নামৰ এজন সভা-কবি আছিল। এই কবিৰ কবিতা যিমানে যি নহওক—কথাৰ ছেও যে আছিল অতি মনমোহা—সেই কথাত তেওঁৰ প্ৰশংসক-নিন্দক সকলো একমুখ। কিন্তু—ৰাজসভাৰ অধিকাৰী চপলে কবিৰ কথাৰ চাপল্যত মুঠেই ভাল নাপাইছিল, যদিও মুখেৰে কেতিয়াও একো কোৱা নাছিল। কিয়নো-কিবা কয় যদি—ৰজাৰ কাণত পৰিব, আৰু তাৰ ফল বেয়াহে হ'ব। আৰু সেইহে—যোগীন্দ্ৰ কবিক কিবা প্ৰকাৰে উচটাই গাই বোৱাবলৈ—কমেও কেতিয়াবা এথেকেচা দিবলৈ—চতুৰ চপলে কবিৰ আগত চামৰ পীৰা পাৰি পিছত কিলাকুটি চাঁচিবৰ বাট ল'লে।

ৰাজসভাত যেতিয়া কোনোবা কবিয়ে উত্তম কবিতা পাঠ কৰি ৰজাৰ মনোৰঞ্জন কৰিছিল, তেতিয়া সাধাৰণতঃ সোণৰ মোহৰেৰে কবিক পুৰস্কৃত কৰা হৈছিল। এই প্ৰথা কি নিজস্ব সভা-কবি, কি আন ঠাইৰপৰা অহা কবি বা পণ্ডিত—সকলোটিৰ ক্ষেত্ৰতে একেই আছিল

কিন্তু ৰাজসভাৰ অধিকাৰী চপলে কিবা কাৰণত হঠাৎ এই চলি-অহা-প্ৰথাৰ সলনি—পুৰস্কাৰ হিচাপে খিতাপ, বনকৰা চাদৰ, বা অন্যান্য শিল্পসম্ভাৰ ইত্যাদি নানাবিধৰ লাগতিয়াল বস্তুহে আগবঢ়াবলৈ ধৰিলে।

তাৰ পাছতো অধিকাৰী চপলে এইবোৰ কথা চোবাই থাকিল যে—সাধাৰণ মানুহক এইবোৰ উপহাৰ-পুৰস্কাৰ দিয়াহেঁতেন—তেওঁলোকে পঞ্চমুখেৰে ৰজাবাহাদুৰলৈ জয়গান গালেহেঁতেন, যদিও এইবোৰ উপহাৰৰ মোল নুবুজি সেইবোৰ হয়তো বজাৰত বেচিলে-হেঁতেন। কিন্তু—এনেবোৰ উপহাৰ-পুৰস্কাৰ—দৰাচলতে আনক প্ৰদৰ্শন

ৰামচন্দ্ৰ কলিতা

করাৰ বাবেহে প্ৰদত্ত হয়।

ৰাজসভাত মান ধৰাৰ এই নতুন প্ৰথা যেতিয়া প্ৰচলিত হ'ল, তেতিয়া কবি যোগীন্দ্ৰই ধনৰ অভাৱ বোধ কৰি থাকিল। যিমান মূল্যৱান উপহাৰ-পুৰস্কাৰেই পাওক—নগদ ধন—এতিয়া জীয়াই থাকিবলৈ লাগেই। কি হ'ব ?

এনেতে জ্যোতিপুৰৰ ৰাজসভাৰ অন্যতম প্ৰাজ্ঞ পণ্ডিত বিদুৰদেউ সীতাপুৰৰ ৰাজসভালৈ আহিল আৰু তেওঁ তেওঁৰ অগাধ পাণ্ডিত্যেৰে ৰজা সুমংগলদেৱক সন্তুষ্ট কৰিলে।

ৰজা সুমংগলদেৱে পণ্ডিত বিদুৰক সুধিলে, "কওক, মই নিঃকিনে কিহেৰে আপোনাৰ পাণ্ডিত্যৰ মান ধৰিব পাৰোঁ।"

"মহাৰাজ, আপোনাৰ সভা-কবি যোগীন্দ্ৰ কবি হ'ল এক অসামান্য প্ৰতিভাসম্পন্ন কবি। তেওঁক আমাৰ ৰজসভালৈ যাবলৈ যদি অনুমতি প্ৰদানে, সেয়ে হ'ব মোৰ মানতকৈও ডাঙৰ মাননি। কবি যোগীন্দ্ৰৰ নিজ মুখৰ মধুৰ কবিতা পাঠ শুনিবলৈ আমি—আনকি আমাৰ মহাৰাজেও উদগ্ৰীৱ হৈ আছে।"

ৰজা সুমংগলদেৱে আচৰিত মানি পণ্ডিত বিদুৰক ক'লে, "ধন-সোণ হীৰা-জহৰৎ, মণি-মুক্তা একো নহয়—কেৱল কবি যোগীন্দ্ৰৰ গমন ? আপোনাৰ এই ইচ্ছা অতি বিচিত্ৰ। ঠিক আছে, কবি যোগীন্দ্ৰক লৈ যাওক। কিন্তু—তদুপৰি অন্য কি লাগে কওক।"

পণ্ডিত বিদুৰে বিনম্ৰতাৰে ক'লে, "মহাৰাজ, আপোনাৰ আশীৰ্বাদত আমাৰ কোনো সামগ্ৰীৰেই অভাৱ নাই। অন্য ৰাজসভাৰপৰা ধন-সোণ লৈ যোৱাৰ অৰ্থ হ'ব—আমাৰ ৰাজসভাৰ অনাদৰ। এতেকে, এই বিষয়ে মোক ক্ষমা কৰিব।"

কিন্তু ৰজা সুমংগলে জানিছিল যে যোগীন্দ্ৰ কবিক নগদে-নগদ ধন লাগে। এতিয়া, যোগীন্দ্ৰ কবি যদি জ্যোতিপুৰলৈ যায়, আৰু কবিতা গাই ধন-সোণ পায়—নিশ্চয় ল'ব।

ৰাজসভাৰ অধিকাৰী চপলেও এই বিষয়ে ভাবি আছিল, চপলে জানিছিল যে—কবি যোগীন্দ্ৰই কোনো অৱস্থাতেই সীতাপুৰৰ ৰাজসভাৰ অপমান নকৰিব। সেইহে ৰজা সুমংগলদেৱে চপলক যোগীন্দ্ৰৰ বিষয়ে সোধাত চপলে ক'লে, "মোৰ—এই বিষয়ে আপত্তি-অনাপত্তিৰ প্ৰশ্ন নুঠে। বিষয়টো পৰিপূৰ্ণভাৱেই কবি যোগীন্দ্ৰৰ ওপতে নিৰ্ভৰশীল।"

কবি যোগীন্দ্ৰক জ্যোতিপুৰলৈ যোৱাৰ

বিষয়ে কোৱাত যোগীন্দ্ৰ কবি সন্মত হ'ল। তেতিয়া চপলে পণ্ডিত বিদুৰক ক'লে, "হে পণ্ডিতোত্তম, আপুনি যেনেকৈ মাননি হিচাপে ধন গ্ৰহণ নকৰিলে, আমাৰ কবি যোগীন্দ্ৰয়ো যদি তেনেহেন আচৰণ কৰে—যদি আত্মগৌৰৱ ৰক্ষা কৰিবলৈ বিচাৰে—দয়া কৰি বেয়া নাপায় যেন।"

এই কথা যে আচলতে কবিৰ প্ৰতি সতৰ্কবাণী—বেটীক মাৰি বোৱাৰীক চঁক খুউৱাবিধৰ কথা, কবিয়ে বুজি পালে।

জ্যোতিপুৰৰ জগপতি ৰজাৰ ৰাজসভা চাই কবি যোগীন্দ্ৰ মোহিত হ'ল। কবিয়ে ভাবিলে : এই ৰাজ্যৰ শাসন-প্ৰণালীও নিশ্চয় আমাতকৈ ভাল। নহ'লেনো ইমান সুন্দৰ শৃংখলাপূৰ্ণ সুচাৰু বন্দৱস্ত হয়নে ? ইমান বিনম্ৰতাৰ প্ৰকাশ—এনেয়ে হ'ব পাৰেনে ?

কবি যোগীন্দ্ৰই ৰজনে জগপতিদেৱৰ ৰাজসভাত থিয়ৈ-থিয়ৈয়েই ৰজা জগপতিৰ অপাৰ প্ৰশংসামূলক স্তুতি-কবিতা এটি ৰচিলে, আৰু ৰাজসভাত পাঠ কৰি শুনালে।

কবি যোগীন্দ্ৰৰ এই তাৎক্ষণিক কবিত্ব-শক্তিৰ কথা উপলব্ধি কৰি ৰজা জগপতিয়ে কবি যোগীন্দ্ৰক তেওঁৰ সিংহাসনৰ কাষত বহুৱালে, আৰু সুধিলে, "হে কবিৰাজ ! কওক, আপোনাক কিহেৰে বৰিম, কেনেকৈ আপোনাৰ মান ধৰিম।"

"মহাৰাজ, পণ্ডিতসকলৰ ইচ্ছাৰ পূৰণ কৰাটো ৰাজধৰ্ম। কিন্তু কবিসকলৰ তো এই অধিকাৰ নাই। আপুনি যদি মোৰ কবিতা শুনি তৃপ্ত হৈছে, তেনেহ'লে — আপোনাৰ যেনেকৈ যি কৰিবলৈ মন যায় তেনেকৈ কৰক।" কবি যোগীন্দ্ৰই ক'লে।

ৰজা জগপতিয়ে কবিৰাজ যোগীন্দ্ৰলৈ পাটবস্ত্ৰেৰে তৈয়াৰী অতিকৈ সুদৃশ্য সৰু মোনা এটিত কিছুখিনি হীৰা-জহৰত আৰু মণি-মুকুতা ভৰাই থ'লে আৰু যোগীন্দ্ৰক ক'লে,



"মই যি পাৰিলোঁ, আগ বঢ়োৱাৰ মন থাকিলেও ধন আমাৰ নাই।"

পাছদিনা কবি যোগীন্দ্র সীতাপুৰলৈ উলটিল। প্ৰথমেই তেওঁৰ সৈতে দেখাদেখি হ'ল—চপলৰ। চপলে পাটৰ মোনাত থকে মহা মূল্যবান হীৰা-জহৰত-মণি-মুকুতাখিনিও নেদেখাকৈ নাথাকিল।

"জ্যোতিপুৰৰ পণ্ডিত বিদুৰে—অন্য ৰাজসভাৰপৰা ধন-গ্ৰহণক নিজ ৰাজ্যৰ অপমান-অনাদৰ বুলি কৈছিল, তেনেস্থলত—আপুনি এইবোৰ গ্ৰহণ কৰি আবাৰ অপমান নকৰিলেনে!" সুমংগলে যোগীন্দ্ৰক ক'লে।

যোগীন্দ্র কৰিয়ে ক'লে, "মহাৰাজ, আপুনি মোক ভুল বুজিলে। মই প্ৰকৃতপক্ষে—আমাৰ ৰাজসভাৰ মান-সন্মান উন্নত হে কৰিলোঁ, অৱনত কৰা নাই। জ্যোতিপুৰৰ ৰজা জগপতিয়ে মোক তেওঁৰ ৰাজসভালৈ নিমন্ত্ৰণ কৰি নিয়াৰ হেতু হ'ল এয়ে যে—আনকি মোৰ দৰে কবি অগৰাকীও তেওঁৰ ৰাজসভাত নাই। তেওঁলোকৰ ৰাজসভাত আনকি মোৰ সমান কবি এজনো থকাহেঁতেন পণ্ডিত বিদুৰে সেইজন কবিক তেওঁৰ সৈতে লৈয়েই আছিলহেঁতেন আমাৰ ইয়ালৈ। আপুনি যদি এই দৃষ্টিভংগীৰপৰা কথাখিনি ভাবি চায়—তেনেহ'লে—মই যে জ্যোতিপুৰৰ ৰাজসভাত আমাৰ ৰাজসভাৰ মান-সন্মান উন্নত কৰি জিলিকাই থৈ আহিছোঁ—সেই কথা উপলব্ধি কৰিব পাৰিব বুলি মোৰ আশা।"

"কিন্তু—তুমি ধনৰ কৰণেই কবিতাৰে ৰজা জগপতিৰ স্তুতি কৰা নাছিলানে?" ৰজা সুমংগলে কবিক টেঁটুত ধৰিলে।

"আচলতে—ৰজা জগপতিক মই যি প্ৰশংসা কৰিলোঁ, সেই প্ৰশংসায়েই কবিতা হৈ গ'ল হীৰা মণি-মুকুতা। ৰজা জগপতিয়েতিও মোক একো দিয়া নাই, ময়ো তেওঁৰ-পৰা একো লোৱা নাই।" কবি যোগীন্দ্ৰই ক'লে।

"কিন্তু—" ৰজা সুমংগলে ক্ষুব্ধ কণ্ঠেৰে ক'লে, "তুমি—মোৰ বিষয়ে তেনেকুৱা প্ৰশংসাৰ কবিতা কেতিয়াবা ৰচিছিলানে?"

"মহাৰাজ, মই সকলোতেই কবিতা শুনাওঁ, আৰু মোৰ কবিতাৰ বাৰ-ছিটা আমাৰ ৰাজসভাত যেনেকৈ পৰে, জ্যোতিপুৰতো পৰিছিলগৈ, আৰু কবিতাৰ সেই বাৰ-ছিটায়েই জিলিকিল হীৰা-মণি-মুকুতা হৈ।"



বৃটিছ-বিৰোধী যুঁজাৰু-২

সন্ন্যাসী-বিদ্ৰোহ

ৰচন : মীৰা উগ্ৰাঁ ❋ চিত্ৰণ : গৌতম সেন

সোতৰশ শতিকাৰ শেষভাগত গোসাঁই আৰু গিৰি বুলি জনাজাত বৃটিছ-বিৰোধী সন্ন্যাসী বিদ্ৰোহী-সম্প্ৰদায় মূৰ দাঙি উঠিল। এই বৃটিছ-বিৰোধী সম্প্ৰদায়ৰ মাজত হিন্দু সন্ন্যাসী-বৰাগী আৰু মুছলমান ফকীৰ সন্মিলিত হৈছিল। কালক্ৰমে এই বিদ্ৰোহী সন্ন্যাসী-সম্প্ৰদায় হৈ উঠিল দেশীয় ৰজাসকলৰ হৈ বৃটিছ-বিৰোধী ৰণুৱা। তেতিয়া মোগল সাম্ৰাজ্যৰ সূৰ্য্য অস্তমিত আৰু সমগ্ৰ ভাৰতবৰ্ষত অৰাজকতাৰ আৰ্তনাদ ধ্বনিত, আৰু তাৰ অনিবাৰ্য ফলস্বৰূপে প্ৰজাবৰ্গ অত্যাচাৰিত। ঘাইকৈ, এই অৰাজকতাৰ অন্তৰালত মুখ মেলি গ্ৰাস কৰিবলৈ ধৰা অত্যাচাৰী-ৰাক্ষসহঁতক পোনাবলৈ, তথা সেই অত্যাচাৰী ৰাক্ষসহঁতৰ ধন-সোণ কাঢ়ি লৈ দুখীয়াসকলৰ মাজত বিলাই দিবলৈ আৰু অবিচাৰ-অত্যাচাৰ-শোষণ বন্ধ কৰিবলৈহে এই *সন্ন্যাসী-ফকীৰ বিদ্ৰোহী সম্প্ৰদায়ৰ* অভ্যুদয় হৈছিল। পোনতে এই বিদ্ৰোহী সন্ন্যাসী-সম্প্ৰদায়ে ন্যায়বিচাৰ বিচাৰি ক্ষান্ত থাকিছিল, কিন্তু পাছত এই সন্ন্যাসী-সম্প্ৰদায় উগ্ৰপন্থী হৈ উঠিল, আৰু এই সম্প্ৰদায়ে কেৱল দেশীয় ৰজা-জমিদাৰবৰ্গৰ অত্যাচাৰৰ বিৰুদ্ধে যুঁজি ক্ষান্ত হৈ নাথাকি, তেতিয়াৰ বঙ্গদেশত আৰু বিহাৰতো প্ৰবল পৰাক্ৰমী তথা মহা অত্যাচাৰী হৈ উঠা বণিজাৰৰ ছদ্মবেশত ঔপনিবেশিক ইস্ট ইণ্ডিয়া কম্প্যানিৰ বিৰুদ্ধেও অস্ত্ৰধাৰণ কৰিছিল। সেয়া আছিল ওঠৰশ শতিকাৰ কথা ...।

১৭৭০ চনত মজনুন শ্বাহ নামৰ এগৰাকী ফকীৰ বঙ্গদেশৰ উত্তৰভাগত শক্তিমান হৈ উঠিল। তেওঁ ৰাইজলৈ আহ্বান জনালে :
জমিদাৰহঁতক কৰ-কাটল নিদিবা, কিয়নো, জমিদাৰহঁতে ফিৰিঙ্গীহঁতক সহায় কৰে আৰু তোমালোকক কৰে অত্যাচাৰ!
মজনুন শ্বাহ যেতিয়া বৃটিছৰ বিৰুদ্ধে যুঁজিবলৈ লৈ নিহত হ'ল..
মজনুনৰ পুত্ৰ চিৰাগআলীয়ে তেওঁৰ আব্বাৰ মহৎ ইচ্ছাক পূৰ্ণ কৰিবলৈ বৃটিছৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিলে, আৰু এই কাৰ্য্যত জীৱনকালতে কিংবদন্তি হৈ পৰা ভৱানী পাঠক আৰু দেৱী চৌধুৰাণী তেওঁৰ সহায় হ'ল।
এওঁলোকে তৎকালীন অপাৰ ধনৰ ধনিক তথা অত্যাচাৰী জমিদাৰহঁত আক্ৰমণ কৰিবলৈ ধৰিলে। এদিন—
ধন-সোণ যি আছে এইক্ষণ সমৰ্পণ কৰা!
আৰু-তোমাৰ প্ৰভু ইংৰাজ চাহাবহঁতৰ ভৰিত ধৰি দৌতা-বিধাতাকৈ ৰাউচি নুজুৰিবাগৈ!
কম্প্যানিৰ পল্টন আহিব ধৰিছে!


তাত এখন নাও আছিল । তেওঁলোকে তেওঁলোকৰ সেই নাৱত তৎক্ষণাৎ উঠিলগৈ।
আৰু নিমিষতে তেওঁলোকে নাও এৰি দিলে। কিন্তু ইংৰাজৰ পল্টনে তেওঁলোকৰ পিছ ল'লে....
সিহঁতমখাই ইমান যে বেগেৰে গৈছে!
কিন্তু—
সিহঁত নোহোৱা হ'লেই..
আমি কিজানি-উভতি যোৱাটোহে ভাল!
সিহঁতক — আমি কিজানি ধৰিব পাৰিলোহেঁতেন . . . !
১৭৮৮ চনত ভৱানী পাঠকক তেওঁৰ কিছুমান সহচৰৰে সৈতে বন্দী কৰা হ'ল, আৰু মৃত্যুদণ্ড দিয়া হ'ল।
এটা গ'ল...এতিয়া আমাৰ পৰৱৰ্তী-চিকাৰ— দেৱী চৌধুৰাণী!
ভৱানী পাঠকৰ মৃত্যুৰ অন্ততো দেৱী চৌধুৰাণীয়ে বৃটিছ-বিৰোধী যুঁজ কিছুদিনলৈ চলাই থাকিল! কিন্তু তাৰ পাছত অকস্মাৎ এদিন তেওঁৰ কৰ্মকাণ্ড স্তব্ধ হৈ পৰিল....
...আৰু তেওঁ হঠাৎ নোহোৱা হৈ পৰিল...তেওঁৰ কি হ'ল— কোনেও নাজানিলে....।

কিন্তু বৃটিছ-বিৰোধী আন্দোলন স্তব্ধ নহ'ল, সক্ৰিয়তাৰেই চলি থাকিল...। ছুছাং পৰগণাত কৰম শ্বাহ নামৰ এগৰাকী ফকীৰৰ অভ্যুদয় হ'ল...তেওঁ ক'লে:

এই ফকীৰৰ অনুগামীসকলক *পাগলপন্থী* বুলি অভিহিত কৰা হৈছিল। কৰম শ্বাহৰ মৃত্যুৰ অন্তত, ১৮১৩ চনত, কৰমশ্বাহৰ পুত্ৰ টিপুশ্বাহই পাগলপন্থী সম্প্ৰদায়ৰ নেতৃত্ব ল'লে। টিপশ্বাহই ঘোষণা কৰিলে:

১৮২৫ চনত পাগলপন্থী সকলে শ্বেৰপুৰৰ গড়জৰিপ নামৰ ঠাই অধিকাৰ কৰি তেওঁলোকৰ চৰকাৰ প্ৰতিষ্ঠা কৰিলে। এই পাগলপন্থী-চৰকাৰ দুই বছৰলৈ তিষ্ঠি আছিল।

১৮২৬ চনত এক বিৰাট বৃটিছ পল্টনবাহিনী জামালপুৰলৈ আহি সেই অঞ্চলৰ গাঁও, হাবি আদি চাৰিওফালৰপৰা আগুৰি ধৰি টিপুশ্বাহক বন্দী কৰিলে, আৰু টিপুলৈ যাৱজ্জীৱন-কাৰাদণ্ড বিহিলে।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

৪১

কৌৰৱৰ ৰাজসভাত উপবেশিত ভীষ্ম আৰু কৃপাচাৰ্য্যই দুৰ্য্যোধনক হিতবোধ প্ৰদানি আছিল । তেওঁলোকে কৈ আছিল যে পাণ্ডৱসৱক বিচাৰি উলিউৱাটো সুগম কাৰ্য্য নহয়। এই প্ৰচেষ্টা পৰিত্যাগ কৰি তেওঁলোকক তেওঁলোকৰ ৰাজ্য প্ৰত্যৰ্পণ কৰাটোৱেই শ্ৰেয়স্কৰ কাৰ্য্য হ'ব।

কিন্তু দুৰ্য্যোধনে তেওঁলোকৰ হিত-বাণীলৈ কাণসাৰকে নকৰিলে । দুৰ্য্যোধনৰ আচৰণত ভীষ্ম মৰ্মাহত আৰু লজ্জিত হ'ল । তেও? ক্ষুব্ধতাৰে ভাবি থাকিল ; জানি-বুজিও অধৰ্মৰ সৈতে নিজক সাঙুৰিছোঁ । কিন্তু আন কোনো উপায়ো নাই। ৰামৰ খাই ৰাৱণৰ গীত গাব তো নোৱাৰোঁ । কৌৰৱৰ মাজতে থাকিব কৌৰৱৰ বিৰোধিতাও অধৰ্ময়েই।

ত্ৰিগৰ্তৰ ৰজা সুশৰ্মাই দুৰ্য্যোধনক ক'লে, "মোক মৎস্যদেশৰ ৰজাই বহুত তামা-কাঁহা দেখুৱাইছিল। মোৰ ৰাজ্যত অশান্তিৰ কাৰকো তেৱেঁই । তেওঁৰ অসীম বলৱান সেনাপতি কীচক গন্ধৰ্বৰ হাতত মৰিল। এতিয়া মৎস্যদেশ আক্ৰমি সেই দেশ আমি অতি সহজেই অধিকাৰ কৰিব পাৰোঁ।

কৰ্ণই সুশৰ্মাৰ এই প্ৰস্তাৱলৈ তেওঁৰ সমৰ্থন জ্ঞাপন কৰিলে।

দুৰ্য্যোধনে ভাতৃ দুঃশাসনক ক'লে, "সেনা সন্নদ্ধ কৰা । প্ৰথম দিনা আমি মৎস্যদেশ আক্ৰমণ কৰি সেই দেশৰ গাভীকুল আমাৰ অধীন কৰি ল'ম। পাছদিনা পুনৰ আক্ৰমণ্ কৰি মৎস্যদেশক আমাৰ মুঠিত ভৰাম।"

দুৰ্য্যোধনৰ এই আঁচনিমতেই ব্যৱস্থা-বন্দৱস্ত হাতত লোৱা হ'ল, আৰু অষ্টমীৰ দিনা সুবিপুল সৈন্যবাহিনীৰে সৈতে কৌৰৱ-দল ওলাই পৰিল।

আৰু এইবোৰ ঘটনাৰ মাজতেই পাণ্ডৱৰ

'গো-গ্ৰহণ'

অজ্ঞাতবাসৰ কালৰো অন্ত পৰিল।

ত্ৰিগৰ্ত-ৰাজ সুশৰ্মাই মৎস্যদেশৰ লাখ-বিলাখ গাভী অধিকাৰ কৰি ল'লে। মৎস্যদেশৰ পশুপালকহঁতে এই সমাচাৰ বিৰাট ৰজাক দিলেগৈ।

বিৰাটৰজাই মন্দিৰাক্ষ প্ৰমুখ বীৰক সম্মিলিত কৰি যুদ্ধযাত্ৰালৈ সাজু হ'ল। তেওঁ—ধৰ্মৰাজ, ভীম, নকুল, সহদেৱ প্ৰমুখকো লগত ল'বলৈ স্থিৰ কৰি তেওঁলোকৰ বাবেও ৰথ প্ৰস্তুত কৰোৱালে।

বিৰাটৰজাৰ সৈন্যবাহিনীয়ে ত্ৰিগৰ্তীয় সৈন্যহঁতক ভয়ংকৰভাৱে আক্ৰমণ কৰিলে। উভয়পক্ষৰ মাজত নাই গুৱাহাটী-নাই ৰঙামাটিহেন তুমুল ৰণ হ'ল আৰু বিৰাটৰজাক ত্ৰিগৰ্তৰাজ-সুশৰ্মাই পৰাজিত কৰি বন্দী কৰি কাৰাগাৰত ভৰাই থ'লে।

তেতিয়া ধৰ্মৰাজে ভীমক এই যুদ্ধত অৱতীৰ্ণ হ'বলৈ আদেশ দিলে, কিন্তু ভীমৰ স্বৰূপ যাতে ওলাই নপৰে—সেই কথালৈকো মন কৰিবলৈ ক'লে।

মহাবলী ভীমে ৰণক্লান্ত ত্ৰিগৰ্তৰাজ সুশৰ্মাক হেলাৰঙে পৰাজিত আৰু বন্দী কৰিলে, বিৰাট ৰজাক মুক্ত কৰিলে। কিন্তু বন্দী ত্ৰিগৰ্তৰাজক ধৰ্মৰাজে মুক্ত কৰি দিলে।

আৰু ঠিক তেতিয়াই দুৰ্য্যোধনে তেওঁৰ বিপুল সৈন্য-বাহিনীৰে সৈতে—ভীষ্ম, দ্ৰোণ, কৰ্ণ, শকুনি, দুঃশাসন, অশ্বত্থামা প্ৰমুখ মহাবীৰসকলক লগত লৈ বিৰাটৰজাৰ সৈন্যবাহিনীৰ ওপৰলৈ জঁপিয়াই পৰিল আৰু ত্ৰিগৰ্তৰাজ সুশৰ্মাৰ কবলৰপৰা মুক্ত কৰি অনা বিৰাটৰজাৰ বিপুলসংখ্যক গাভীকুল পুনৰাধিকাৰ কৰা হ'ল।

এজন দক্ষ পশুপালকে অশ্বাৰূঢ় হৈ বিজুলী বেগেৰে গৈ গৈ এই দুঃসম্বাদ কঢ়িয়াই লৈ বিৰাটনগৰ পালেগৈ। তাত ভূমিজয় নামৰ ৰাজ-কোঁৱৰৰ দেখা পাই পশুপালকে ক'লে।

"হে ৰাজকোঁৱৰ, কৌৰৱে আমাৰ হেজাৰ-বিজাৰ গাভী লৈ গ'ল। আপুনি হেনো মহা বীৰ। আহক, আমাৰ গাভীবিলাকক একৰাওকহি। আপুনি এইবোৰ কৌৰৱসৈন্যক ছিন্নভিন্ন কৰ কহি।"

ৰাজকোঁৱৰ ভূমিজয়ৰ অন্যতম নাম আছিল উত্তৰ। পশুপালকে এইখিনি কথা কওঁতে উত্তৰ কিছুমান তিৰোতাৰ সৈতে বহি মেল মাৰি আছিল। গতিকে—নিজক বীৰ বুলি

যহোৱা উত্তৰে টিলিকি মাৰি পশুপালকক ক'লে, "এই কামো কিবা কামৰ কাম হ'লনে ? এয়া মোৰ কেঞা আঙুলিৰ কাম। কিন্তু—মোক পাকৈত-পাৰ্গত ৰথৰ সাৰথি এজন লাগে — যি-সাৰথিয়ে মোক পোনে পোনেই শত্ৰুৰ বেহুৰ মাজলৈ লৈ যাব পাৰিব। ক'তনো পাওঁ তেনেহেন সাৰথি ?"

তেতিয়া তিৰোতাহঁতৰ মাজত বহি থকা বৃহন্নলাৰূপী অৰ্জুনে শুন-নুশুনকৈ দ্ৰৌপদীক ক'লে, "তুমি উত্তৰক কোৱা যে—মই এসময়ত অৰ্জুনৰ ৰথৰ সাৰথি আছিলোঁ—এতেকে, ৰাজকোঁৱৰ উত্তৰে মোক তাৰ সাৰথি হিচাপে লওক।"

মিঠাকৈ হাঁহিৰে দ্ৰৌপদীয়ে উত্তৰক কথাটো ক'লে। আৰু— উত্তৰেও—একান্ত অনিচ্ছাৰে হ'লেও—বাধ্যত পৰিয়েই দ্ৰৌপদীৰ প্ৰস্তাৱত 'হয়' কৰিলে।

তিৰোতাহঁতে উত্তৰক ক'লে, "আপুনি যেতিয়া দ্ৰোণ-কৰ্ণ আদি শূৰ-বীৰক হৰুৱাই উলটিব—তেতিয়া আমাৰ পানী-কেঁচুৱাহঁতৰ বাবে ৰং-বিৰঙী সাজ-পাৰ লৈ আহিব কিন্তুক —!"

বৃহন্নলাৰূপী অৰ্জুনে তিৰোতাহঁতক ক'লে, "উত্তৰ যদি জিকে—তেনেহ'লে নিশ্চয় সেইবোৰ আৰু কত কতবোৰ কত কি লৈ আহিব —।"

ৰথ নগৰৰ বাহিৰলৈ আহিল। উত্তৰে বৃহন্নলাৰূপী অৰ্জুনক ক'লে, "বৃহন্নলা, পোনে পোনেই কৌৰৱৰ সৈন্যবাহিনীৰ মাজলৈ ৰথ চলাই লৈ যোৱা।"

অৰ্জুনে দুৰন্ত গতিৰে ৰথ চলাই থাকিল আৰু এইদৰে গৈ গৈ—এক মহাশ্মশানৰ সোঁমাজত থকা এজোপা শমী-বৃক্ষৰ তলত ৰ'লগৈ।

তাৰপৰা—অনতিদূৰতে সাগৰৱৎ কৌৰৱসৈন্যৰ বিশাল সমদল দেখা পাই ডৰৰ কোৰত ধাৰৰ নলকাঁপা দিয়া ৰাজকোঁৱৰ উত্তৰে কৈ উঠিল, "আৰে বাপ্‌ৰে ৰ্বাপ্‌ ! এনেহেন অসংখ্যাত সৈন্যবাহিনীৰ বিৰুদ্ধে মই—একেলে কেনেকৈনো যুঁজ দিম ? পিতাশ্ৰী ত্ৰিগৰ্তক আক্ৰমিবলৈ গ'ল। নগৰত—মইহে কেৱল একলে আছোঁ। ভীষ্ম দ্ৰোণ আদি শূৰ-বীৰৰ বিৰুদ্ধে মইনো কেনেকৈ কি কৰিম ? বৃহন্নলা, এতিয়া এহি মুহূৰ্ততে ৰথ—ওভোতবাটেদি চলোৱা—নতু ৰক্ষা নাই।"

"ৰাজকোঁৱৰ, ডৰ নকৰা, সাহ নেহেৰুৱাবা, তোমাৰ আও-ভাওলৈ চাই শত্ৰুৱে হাঁহিবহে। তুমি তিৰোতাসকলৰ আগত—বিজয়ী হৈহে ফিৰিবা বুলি দম্ফিৰে কোৱা নাছিলানে ? মই শত্ৰুৰ সমুখা-সমুখি হ'ম, আৰু যিয়েই নহওক — বিজয়ালাভ কৰিহে উভতিম, নতু নোভতোঁ।" অৰ্জুনে গহীন মাতেৰে ক'লে।

"কৌৰৱে — আমাক নিয়া নাই নহয় —? গাভীবোৰক লৈ গৈছে — লৈ যাওক। তিৰোতাহঁতে মোক জোকায় যদি জোকাওক। মই মদাৰ গাছৰ পাণ পৰাত নাই।" এই বুলি কৈ, উত্তৰে তাৰ হাতৰপৰা ধনু-কাঁড় দলিয়াই পেলালে।

"ৰণতি পৰি ক'লীয়া হ'লেও—হোঁহকা নিদিয়া।" এই বুলি কৈ, সাৰথি অৰ্জুন ৰথৰপৰা নামি আহিল আৰু এডেও-দুডেওকৈ ৰণক্ষেত্ৰ এৰি যঃ পলায়তি সঃ জীৱতি'কৈ পলাই যাবলৈ ধৰা ৰাজকোঁৱৰ উত্তৰক তাৰ চুলিকোচাত ধৰি, অৰ্জুনে পুনৰ তাক ৰথৰ কাষলৈ লৈ আহিল। এই হাঁহিউঠা ঘটনালৈ চাই কৌৰৱসকলে হো-হোৱাই হাঁহি থাকিল।

অৰ্জুনে উত্তৰক কৈ আছিল, "মই ৰণ দিম, আৰু আমাৰ গাভীকুলকো মুক্ত কৰি ফিৰাই আনিম। তুমি মাত্ৰ মোৰ লগত থাকিবা। মই তোমাক অভয় প্ৰদানিছোঁ।"

ক্ষন্তেকমান মৌন হৈ কিবা চিন্তি থকাৰ অন্তত অৰ্জুনে পুনৰ উত্তৰক ক'লে, "হে ৰাজকুমাৰ, আমাৰ ওচৰত থকা অস্ত্ৰ-শস্ত্ৰবোৰ তেনেই এলান্ধুকলীয়া, এইবোৰৰ আৱশ্যকতা

নাই। তুমি এই শমীবৃক্ষ-জোপাত আৰোহণ কৰাঁ। এই বৃক্ষৰ ডাল-পাতৰ মাজত পাণ্ডৱসৱে তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰাদি লুকাই থৈছে। এই অস্ত্ৰ-শস্ত্ৰসমূহৰ মাজত অৰ্জুনৰ গাণ্ডীৱও আছে। গছজোপাৰ মূধলৈ গ'লেই সেইবোৰ তুমি নিজেই দেখা পাবা।"

অৰ্জুনৰ কথা মতে উত্তৰ শমীবৃক্ষৰ ওপৰলৈ উঠিল, আৰু তাত ডাল-পাতৰ আঁৰত এক অস্ত্ৰ-শস্ত্ৰৰ ভঁৰাপ দেখা পালে। তাৰ পাছত অস্ত্ৰ-শস্ত্ৰখিনিৰে সৈতে পুনৰ তললৈ নামি আহি উত্তৰে প্ৰায় নিজক কোৱাদিয়েই কৈ থাকিলঃ মায়াবী পাশটি খেলত পৰাজিত পাণ্ডৱসৰ ৰাজ্যহীন হ'ল। সেই পাণ্ডৱসৰ আৰু দ্ৰৌপদীৰো যে কি হ'ল — কোনেও নাজানে। এওঁলোক বাৰু — এতিয়াও এই

মনমোহা সুন্দৰী ধৰণীত জীয়াই আছেনে ?”

“শুনা, ৰাজকুমাৰ উত্তৰ, মই অৰ্জুন। তোমাৰ পিতাদেৱৰ অন্যতম সভাসদ কঙ্ক হ'ল—ধৰ্মৰাজ। তোমালোকৰ পাচক—ৰন্ধা-মনুহ—বল্লভ হ'ল ভীম, অশ্বশালাৰ অধিকাৰী হ'ল নকুল, আৰু গাভীহৰণৰ সম্বাদ কঢ়িয়াই লৈ অশ্বাৰূঢ় হৈ অহা সেই পশুপালক হ'ল—আমাৰ কনিষ্ঠতম ভাতৃ সহদেৱ। আৰু—কলিৰ নাৰকী কীচক-হত্যাৰ হেতু যে সৈৰিন্ধ্ৰী—তেৱেঁই হ'ল দ্ৰৌপদী।” অৰ্জুনে অতঃপৰ উত্তৰৰ আগত ৰহস্যৰ দুৱাৰ খুলি দিলে।

আৰু — উত্তৰে অৰ্জুনৰ উত্তৰ শুনি অৰ্জুনৰ পদপ্ৰান্তত দীঘল দি পৰিল আৰু পাছত কৈ থাকিল, “আপোনাৰ পৰিচয় লভি—মই ধন্য মানিছোঁ, মোৰ জীৱন সাৰ্থক হ'ল। মই যদি অজ্ঞানতাবশতঃ আপোনাৰ প্ৰতি কোনো অন্যায়-অপৰাধ কৰিছোঁ, তাৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। এতিয়া আৰু মোৰ মনত ভয়-ভীতিৰ লেশমানো নাই। মোক য'লৈকে ৰথ লৈ যাবলৈ ক'ব, চলাই লৈ যাম।

“চাই থাকা, তোমালোকৰ সৌ সাত কালৰ চেং শত্ৰুবিলাকক মই কেনেকৈ টটুৱা বেঙৰ পৰ্য্যৱসিত কৰোঁ—চাই থাকা। সিহঁতবিলাকক ফুটছাই কৰিহে এৰিম মই।” এই বুলি কৈ, অৰ্জুনে তেওঁৰ গাণ্ডীৱ হাতত ল'লে, আৰু বাহুত থকা কঙ্কন সোলোকাই পেলালে।

আৰু তাৰ পাছত—পূবমুৱা হৈ গাণ্ডীৱক পূজি, মস্তকৰ কেশদাম কটকীয়াকৈ বান্ধি—অকস্মাৎ গাণ্ডীৱৰ গুণত ধৰি ঝঙ্কাৰিলে, আৰু এই গাণ্ডীৱৰ ঝঙ্কাৰৰ মহাধবনিৰ সৈতে শংখনিনাদ কৰি এক অতি অদ্ভুত পৰিবেশৰ সৃষ্টি কৰি কৌৰৱৰ বিপুল বাহিনীলৈ ডঢ়ালে।

ৰাজকুমাৰ উত্তৰে এই মহানাদ শুনি নিৰ্বাক-নিস্পন্দ হৈ কৌৰৱৰ সাগৰহেন সুবিপুল সৈন্যৰ সমদললৈ সভয়ে চাই ৰ'ল।

তাৰ পাছত — অৰ্জুনৰ ৰথ যেতিয়া কৌৰৱ-বাহিনীৰ অভিমুখে আগবাঢ়িবলৈ ধৰিলে, তেতিয়া দ্ৰোণাচাৰ্য্যই দুৰ্য্যোধনক ক'লে, “এই আগন্তুক নিশ্চয় অৰ্জুন।”

দুৰ্য্যোধনে দ্ৰোণাচাৰ্য্যৰ কথাৰ উত্তৰত ক'লে, “অজ্ঞাতবাসৰ কাল নৌশেষ হওঁতে অৰ্জুন প্ৰকটিত হ'ল। এতেকে — এতিয়া পাণ্ডৱে পুনৰ দ্বাদশ বৰিষলৈ বনবাসী হ'ব লাগিব। আমাৰ হিচাপৰ অৱশ্যে অলপ ইফাল-

সিফাল হ'ব পাৰে। পাণ্ডৱৰ অজ্ঞাতবাসৰ সঠিক কালৰ বিষয়ে ভীষ্মইহে সঠিককৈ ক'ব পাৰিব। ত্ৰিগৰ্তীয়ে নিশ্চয় মৎস্যদেশৰ দক্ষিণভাগ জয় কৰিলে। আজি আমি ইহঁতৰ গাভীকুল অধিকাৰ কৰাত — সেইবিলাকক মুক্ত কৰিবলৈ অৰ্জুন আগুৱাই আহিছে যেন পাইছোঁ। মৎস্যসৈন্যবাহিনীও অৰ্জুনৰ পিছে পিছে আহিব ধৰিছেনে কি ক'ব নোৱাৰিছোঁ। যেই কি নহওক আমি এইবোৰ ঘটনাত ভয় কৰিলে জয় কৰিব নোৱাৰিম। গতিকে—ভিতৰি-ভিতৰি কঁপি-জঁপি ঘামি-জামি লুতুৰি-পুতুৰি হ'লেও— আমি অৰ্জুনক এথেকেচা দিহে এৰিম।"

"অজ্ঞাতবাসৰ কাল পূৰ্ণ নোহোৱাহেঁতেন অৰ্জুন অৱশ্যেই প্ৰকটিত নহ'লহেঁতেন! আৰু — গাভীকুলক মুক্ত নকৰাকৈ অৰ্জুন ক্ষান্তও নহ'ব। এতিয়া যুদ্ধ অৱশম্ভাবী।" দ্ৰোণই দুৰ্য্যোধনক সদবুদ্ধি দিয়াৰ আশাৰে কথাখিনি বুজাই ক'লে।

ভীষ্মই দুৰ্য্যোধনক ক'লে, "পাণ্ডৱৰ অজ্ঞাতবাসৰ কাল পূৰ্ণ হ'ল—এই কথা নিশ্চিত জানিয়েই অৰ্জুন প্ৰকটিত হ'ল, আমাৰ বিৰুদ্ধে ৰণ দিবলৈ আগবাঢ়ি আহিল। ৰণত পৰি আমি ক'লীয়া হ'মনে ৰণাশিঙা বজাই চাৰিভিত মুখৰ কৰি তুলিম — আগতীয়াকৈ কোৱা অসম্ভৱ। গতিকে—পাণ্ডৱসৱক তেওঁলোকৰ ৰাজ্য ন্যায়পূৰ্ণতাৰে প্ৰত্যৰ্পণ কৰিবানে ৰণ দিবা—সেই সিদ্ধান্ত তুমিয়েই লোৱাঁ। সিদ্ধান্ত তোমাৰ হস্তত।"

"মই — পাণ্ডৱমখাক ৰাজ্য প্ৰত্যৰ্পণ কৰাত নাই। এতেকে — যুদ্ধলৈ সাজু হওক।" দুৰ্য্যোধনে ক'লে। আৰু এই কথা কৈয়েই দুৰ্য্যোধন তাৰপৰা নোহোৱা হ'ল।

এই ঘটনালৈ লক্ষ্য কৰি অৰ্জুনে ৰাজকোঁৱৰ উত্তৰক ক'লে, "উত্তৰ, নিজৰ প্ৰাণ ৰক্ষাৰ হেতু দুৰ্য্যোধন নিশ্চয় দক্ষিণদিশীয়া বাটেৰে হস্তিনাপুৰলৈ বুলি পলাল। উত্তৰ, ৰথ ঘূৰাই লোৱা, সেই দিশে চলোৱা।"

অৰ্জুনৰ এই হঠাৎ ৰণ-কৌশল পৰিৱৰ্তনৰ অৰ্থ অনুধাৱন কৰি কৃপাচাৰ্য্যই উচ্চকণ্ঠেৰে কৈ উঠিল, "অৰ্জুনে দুৰ্য্যোধনক বন্দী কৰিবলৈ সবেগে আগুৱাই গৈ আছে। একলে দুৰ্য্যোধন অৰ্জুনক বলে-বুদ্ধিয়ে নোৱাৰিব। দুৰ্য্যোধনক অৰ্জুনৰ কবলৰপৰা ৰক্ষা কৰিবলৈ আমি বিজুলী সঞ্চাৰে সঞ্চৰিব লাগে —।" [আগলৈ



চান্দমামাৰ জবৰ-খবৰ

মানৱীয় ৰোবো

বিখ্যাত জাপানী ইলেকট্ৰনিক্স সংস্থা হণ্ডা-ই এতিয়া পি-২ নামৰ মনৱীয় ৰোবট নিৰ্মাণ কৰিছে। এই ৰোবট ছফুট ওখ, আৰু ইয়াৰ ওজন ২১০ কিল'গ্ৰাম। এই ৰোবটৰ পোছাক-পাতি হ'ল মহাকাশযাত্ৰীৰ পোছাকৰ দৰে। এই ৰোবটে প্ৰায় মানুহৰ দৰেই অগা-পিছাকৈ



খোজ কাঢ়িব পাৰে, খটখটি বগাব পাৰে। প্ৰয়োজনত এই ৰোবটে তাৰ হাত দুখন প্ৰায় মানুহৰ দৰে ব্যৱহাৰ কৰিব পাৰে। টোকিঅ' বিশ্ববিদ্যালয়ৰ ৰোবটিক্স-বিভাগৰ অধ্যাপক ছুনুমু আৰু টোলোই এই প্ৰায় মানৱীয় ৰোবো আৱিষ্কাৰ কৰিলে।

সোঁৱাহ-সোঁৰৱণী

কেৱল ৰাজ্যৰ মনজেৰি নামৰ ঠাইত সুফিল নামৰ সৰু ল'ৰা এটি দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ। মাহ, তাৰিখ কওক, বছ, কি বাৰ সি তৎক্ষণাৎ কৈ দিব। ১৯৯৭ চনৰ ৩৬৫ দিনৰ কথা মুহূৰ্ততে কৈ দিব পাৰিব। তেনেহ'লে —এই ল'ৰাটি এই বয়সতে গণিত গিয়ানী হ'লনে ? নহয়, কথা তেনেকুৱা

নহয়-। লিখন-পঢ়নতো সুফিল অতি সাধাৰণ। কিন্তু তাৰ দিন-পঞ্জীৰ (ক্যালেণ্ডাৰ) জ্ঞান অতি প্ৰখৰ। ঘৰত, বাহিৰত, গাঁৱত, ৰাজ্যত, আনকি দেশতো ঘটা মুখ্য ঘটনাসমূহৰ সঠিক দিন-বাৰৰ কথা সুফিলে সহজেই কৈ দিব পাৰে। সুফিল হ'ল সোঁৱাহ-সোঁৰৱণী।

বাতৰি-মিউজিয়াম

আমেৰিকাৰ আৰ্মিংটানত সদ্যহতে সৰু সৰু ল'ৰা-ছোৱালীৰ কাৰণে এক বাতৰি-মিউজিয়াম স্থাপিত হৈছে। এই মিউজিয়ামত সোমোৱাবাত্ৰেই বাতৰিৰ জগতখনত সোমাই পৰা যেন লাগিব। ইয়াত—লাগিলে আপুনি সংবাদদাতা হ'ব পাৰিব, সম্পাদকও হ'ব পাৰিব। ইয়াত থকা কমপিউটাৰৰ সহায়তাৰে আপুনি বাতৰি-কাকত এখন তৎক্ষণাৎ প্ৰকাশো কৰিব পাৰিব। পৃথিৱীৰ চুকে-কোণে ঘটি থকা ঘটনাসমূহৰপৰা আপুনি বিশেষ বিশেষ সংবাদ বাছি উলিয়াব পাৰিব। টিভি-বাতৰি পঢ়োঁতা, বাতৰি-কাকতৰ সম্পাদক সকলৰ সৈতে সাক্ষাৎকাৰ আদিতো অংশগ্ৰহণ কৰাৰ বন্দৱস্ত আছে। বিশ্ব-বাতৰি জনাৰ বাবে ইয়াত এক প্ৰকাণ্ড 'গ্লোব' আছে। কেতিয়া-কোনদিনা প্ৰথমে ওলাইছিল-সেই কথা যদি ক'ব পাৰে—সেই বাতৰি-কাকতৰ প্ৰথম পাত ইয়াত থকা টিভিৰ পৰ্দাত দেখা পাব।

শোভাময় ভাৰত

লেপাক্ষী দেৱালয়



তাহানিৰ বিজয়নগৰৰ ৰজাসকলে দক্ষিণভাৰতত বহুতো আশ্চৰ্য্যসুন্দৰ দ'ল-দেৱালয় সজাইছিল। এনেহেন এক নয়নমনোহৰ দেৱালয় হ'ল *লেপাক্ষী দেৱালয়*। এই লেপাক্ষী দেৱালয় অন্ধ্ৰপ্ৰদেশৰ হিন্দুপুৰ নামৰ ঠাইত এটি পাহাৰৰ ওপৰত হিন্দুপুৰৰপৰা পোদ্ধৰ কিল'মিটাৰ দূৰত্বত অৱস্থিত। এই দেৱালয় ১৫৩৮ চনত সজোৱা হৈছিল। এই পুৰণিকলীয়া নয়ন-মনোহৰ দেৱালয় হ'ল বিজয়নগৰৰ ৰজাবৰ্গৰ শিল্পকলাৰ এক অতি সুন্দৰ তথা বিস্ময়কৰ নিৰ্দৰ্শন।

'লেপাক্ষী' হ'ল এক বিশেষ বিশিষ্ট শিল্প-কলা সম্প্ৰদায়। এই দেৱালয় সম্পৰ্কে ভালেমান জনশ্ৰুতি প্ৰচলিত। এটি ক্ষুদ্ৰ টিলাৰ ওপৰত নিৰ্মিত এই বিশিষ্ট দেৱালয়ৰ ভিতৰে-বাহিৰে বিভিন্ন শিল্পকাৰ্যৰ স্বাক্ষৰ বিদ্যমান। এই দেৱালয়ৰ পশ্চিমভাগত বিভিন্ন ধৰণৰ শিল্পকাৰ্য্য সমন্বিত ভালেমান স্তম্ভ থকা এক সুবিশাল মণ্ডপ আছে।

বিভিন্ন ৰঙেৰে বোলোৱা শিল্পকাৰ্য্য সমন্বিত চিত্ৰেৰে চিত্ৰিত এই দেৱালয়ত বিশাল ছিল এচটা খোদিত কৰি 'সপ্তফণা সৰ্পৰাজ'ৰ মূৰ্তি সজোৱা হৈছে।

এই দেৱালয়ত ক'লাশিলৰপৰা কটি উলিউৱা এক বিৰাট শিৱলিঙ্গ আছে। দেৱালয়ৰপৰা আধা কিল'মিটাৰ দূৰত্বত আছে 'লেপাক্ষী নান্দী'-মূৰ্তি। এই নান্দী মূৰ্তিক ভাৰতৰ সৰ্ববৃহৎ নান্দী-মূৰ্তি বুলি কোৱা হয়।

©1997 UBC Feature World. All rights reswrved

ভাৰতৰ পৌৰাণিককালৰ ৰাজৰ্ষি

কৌশিক

কৌশিক আছিল এগৰাকী ধাৰ্মিক ৰজা। তেওঁ প্ৰজাবৰ্গৰ সুখ-সন্তোষক সৰ্বাগ্ৰগণ্য বুলি বিবেচনা কৰিছিল। ৰজা কৌশিক আছিল প্ৰকৃত প্ৰজামঙ্গলকাৰী ৰজা, আৰু প্ৰজায়ো তেওঁক মনে-চিতে ভাল পাইছিল। কিন্তু এইগৰাকী ধৰ্মাত্মা কৌশিকেই ৰাতিৰ পৰতে কুকুৰালৈ ৰূপান্তৰিত হৈ পৰিছিল। তেওঁৰ এই দৈহিক ৰূপান্তৰণৰ কথা কেৱল পত্নীৰ বাহিৰে আন কোনেও নাজানিছিল আৰু ৰাত্ৰি প্ৰভাত হোৱাৰ আগে আগে পুনৰ তেওঁ ৰজাৰ ৰূপ প্ৰাপ্ত হৈছিল।

এদিন গালৱ নামৰ এগৰাকী মুনি ৰাজ-দম্পতিক চাবলৈ আছিল। ৰাণীয়ে মুনি গালৱলৈ যথোপযুক্তভাবে আদৰ-সন্মান জ্ঞাপিলে আৰু পাছত পতি ৰজা কৌশিকৰ এই দুঃস্থিতিৰ কথা অৰ্থাৎ ৰূপান্তৰণৰ কথা মুনিক ক'লো ৰাণীৰ দুখৰ কথা শুনি মুনি গালৱে কিয়ৎক্ষণৰ বাবে চকু মুদি গভীৰ ধ্যানমগ্ন হৈ দিলে আৰু পাছত ক'লে, "পূৰ্ব জনমত ৰজা কৌশিক কুকুৰাৰ মঙহ খাই বৰ ভাল পাইছিল। কিন্তু তেওঁ যিমান কুকুৰা খাইছিল, তাতকৈ এশগুণ অধিক কুকুৰা মাৰি পেলাইছিল আৰু তাৰপৰা বাছি বাছি বছা বছা কুকুৰাহে খাইছিল। ৰজাৰ এই কাৰ্য্যত বিতুষ্ট হৈ তাম্ৰচূড় নামৰ কুকুৰা-প্ৰধানে ৰজালৈ এই অভিশাপ প্ৰদানিছিল যে—অনাৱশ্যক ভাবে কুকুৰা-সংহাৰক ৰজাই ৰাতিৰ পৰতে কুকুৰালৈ ৰূপান্তৰিত হ'ব আৰু কেৱল পৰমশিৱক তপস্যাৰে তুষ্ট কৰিব পাৰিলেহে ৰজা কৌশিক এই অথন্তৰৰপৰা মুক্তিলভিব।

মুনি গলৱৰ কথাত ৰজা কৌশিকে কঠোৰভাবে পৰমশিৱলৈ তপস্যা কৰি তেওঁৰ জীৱনজোৰা যাতনাগধুৰ বেদনাবিধুৰ এই অভিশাপ তথা অথন্তৰৰপৰা মুক্তি পোৱা হৈছিল।



সুপ্ৰাচীন অভিধান

UBC Feature World. All rights reserved



আজিৰ দিনত বিশ্বৰ বিভিন্ন ভাষাত যথেষ্ট সংখ্যক শব্দকোষ তথা অভিধান আছে। এইবোৰ অভিধানে শব্দৰ অৰ্থ, শব্দৰ সঠিক উচ্চাৰণ, উপযোগৰ কথাকৈ দিয়ে। ১৭৭৫ চনত ডক্টৰ স্যামুৱেল জনছনে ইংৰাজি ভাষাৰ প্ৰথম অভিধান, সংকলন কৰিছিল। তাৰ নাম আছিল—'ইংৰাজি ভাষাৰ শব্দকোষ' অতি প্ৰাচীন অভিধান চতুৰ্থ খৃষ্টাব্দত পাৰসিক ভাষাত ৫০০০ শব্দ থকা বদৰুদ্দিন ইব্ৰাহিম নামৰ সংকলকৰ দ্বাৰা ভাৰতীয় শাসকৰ শাসন কালও সংকলিত হৈছিল। এই অভিধানত চিকিৎসাশাস্ত্ৰ-বিষয়ক, ভূগোল, কৃষি, প্ৰাণী আৰু পুষ্প-বিষয়ক শব্দাৱলী আছিল।

সুপ্ৰাচীন তথা প্ৰাচীনতম অভিধান আছিল বাগদাদৰ এক পুথি-ভঁৰালত। কিন্তু মোঙ্গল-সম্ৰাট জেংগিজ খানে বাগদাদ আক্ৰমণ কৰি এই অমূল্য প্ৰাচীনতম গ্ৰন্থালয়ত জুই লগাই দিছিল, আৰু তিনিদিন ধৰি সেই বিশাল প্ৰাচীনতম গ্ৰন্থালয় হস্তলিখিত গ্ৰন্থ-সম্ভাৰেৰে সৈতে ভস্মীভূত হৈছিল।

ইন্দ্ৰ-ধনুষ

©1997 UBC Feature World. All rights reserved



ৰেগ্নি

ৰেগ্নি হ'ল সাধাৰণ মানুহৰ এবিধ প্ৰিয় সংগীত। এই সংগীতৰ প্ৰচলন ১৯৬০ চনত জ্যামাইকাত আৰম্ভ হৈছিল আৰু ওৱেস্ট ইণ্ডিয়ানসকলৰ মাজত জনপ্ৰিয় হৈ উঠিছিল। ৰেগ্নি গীত-মাতৰ যোগেদি ক্যাৰিবিয়ান সকলৰ বহুবিধৰ দুখ-যাতনাভৰা কিন্তু আদৰ্শময় জীৱনধাৰা তথা সংস্কৃতিৰ কথা কোৱা হয়। ৰেগ্নি-গীত-মাত তথা ৰেগ্নি বাদ্য অতি উচ্চ মাত্ৰাৰে পৰিৱেশিত হয়। বব চাৰ্লি নামৰ ৰেগ্নি গায়ক এজনৰ জীৱনজোৰা প্ৰচেষ্টাৰে ৰেগ্নি গীতধাৰা ইমান লোকপ্ৰিয় হৈ উঠিছিল।

স্বাধীনতাৰ সুৱৰ্ণজয়ন্তী উপলক্ষে চান্দমামাৰ উপহাৰ

প্ৰথম স্বাধীনতা–সংগ্ৰাম

সুদূৰ ইংল্যাণ্ডৰপৰা এদল বণিজাৰ আহিছিল ভাৰতবৰ্ষলৈ বেহা-বেপাৰ কৰাৰ মনেৰে। এই বগা-বণিজাৰহঁতে তৎকালীন ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ ৰজাসকলৰপৰা বেহা-বেপাৰৰ বাবে অনুমতি লৈছিল। পাছত এই বণিজাৰহঁতে সিহঁতৰ ধূৰ্ত বুদ্ধিৰে ৰজাৰ বিৰুদ্ধে ৰজাৰ, প্ৰজাৰ বিৰুদ্ধে প্ৰজাৰ মনত দ'কৈ ভেদ-ভাৱৰ সৃষ্টি কৰাত সক্ষম হৈছিল আৰু হাঁহৰ ওপৰত শিয়াল ৰজা হৈ এই বিদেশী ধূৰ্তৰো ধূৰ্তহঁতেই এদিনৰ বণিজাৰহঁতেই ক্ৰমাত ভাৰতবৰ্ষৰ দণ্ডমুণ্ডৰ গৰাকী হৈ উঠিছিল। কিন্তু—বদমাছৰো বদমাছ সিয়নিত শোৱা বণিজাৰহঁতৰ এই কূট-কৌশল তথা ভেদ-ভাৱৰ যোগেদি চলোৱা চাল— দীৰ্ঘকাললৈ নচলিল ... আৰু এই দেশৰ চাৰিওফালে বগা বদমাছহঁতৰ বিৰুদ্ধে বিদ্ৰোহৰ জুই উমি উমি জ্বলি উঠিল .....।

এক শান্ত-সুন্দৰ জোনালী নিশা। আটকধুনীয়া সাজ-পাৰ পিন্ধি, মূৰত কুহুমফুলীয়া পাগুৰিৰে এজন অশ্বাৰোহী-যুৱাই মৰাঠা অঞ্চলৰ মাজেদি প্ৰবাহি গঙ্গাৰ তীৰত সুশোভিত বড় এজোপাৰ তলত অশ্বৰপৰা নামিল।

আৰু লগে লগেই — চাৰিওফালৰ জোপা-জুপলিৰ আঁৰৰপৰা প্ৰায় পঁচিছজনমান চিপাহী ওলাই আহিল, আৰু সেই চিপাহীহঁতে এই যুৱালৈ কৰযুৰি নমস্কাৰ জ্ঞাপন কৰিলে।

চিপাহীহঁতৰ এজনে যুৱাক ক'লে, "পেশ্বোৱা নানাছাহিব সুস্বাগত!"

"ভাইসকল, আপোনাসৰৰ মৰম লভি মই ধন্য মানিছোঁ। কিন্তু—আপোনালোকে মোকেই মনে-চিতে মানি লৈছে— আপোনালোকে আপোনালোকৰ বগা বঙালহঁতক এৰিব লাগে। কেৱল মুখেৰে মৰমৰ প্ৰকাশ—যথেষ্ট নহয়।" নানা ছাহিবে গহীন কণ্ঠেৰে চিপাহীসকলক ক'লে।

'অগ্নিযুগৰ ফিৰিঙতি'

"বগা বঙালহঁত আমাৰ কেও নহয়। আপুনিয়েই হ'ল আমাৰ প্ৰভু। আপোনাৰ আদেশ পালন কৰাৰ বাবে আমি সদা-প্ৰস্তুত।" এজন চিপাহীয়ে ক'লে।

"হে প্ৰভু, আমি প্ৰতিদিনেই বগা বঙালহঁতৰপৰা ঘোৰ অপমান পাইছোঁ। সিহঁতে আমাৰ ঈশ্বৰ-ভগৱন্তলৈ ব্যংগ-বিদ্ৰূপ কৰে, আমাৰ মুছলমান ভাতৃসকললৈকো একেই আচৰণ কৰে। আমাৰ এজন চিপাহীয়ে বগা বঙালহঁতৰ এই গৰ্হিত কাৰ্য্যৰ প্ৰতিবাদ কৰাত তেওঁক সৌকাৰে কোবাই বেয়াকৈ জখম কৰা হৈছে।" আন এজন চিপাহীয়ে বিবৰিলে।

"আমি পেট-প্ৰৱৰ্তাবলৈহে কোম্পানিৰ চিপাহীৰ কাম লৈছোঁ। কিন্তু তাতো অবিচাৰ। গোৰা চিপাহীহঁতক যিমান দৰমহা দিয়া হয়, আমাক তাৰ চাৰিভাগৰ এভাগো দিয়া নহয়।" অন্য এজন চিপাহীয়ে নানা ছাহিবৰ ওচৰত ক্ষোভ প্ৰকাশ কৰিলে।

"আৰু এক অতি অন্যায় আদেশ দিয়া হৈছে। এই আদেশত কোৱা হৈছে যে—আগৰ বন্দুকৰ সলনি-কেৱল নতুন ধৰণৰ বন্দুকহে ব্যৱহাৰ কৰিব লাগিব। নতুনবিধ বন্দুকৰ গুলীৰ ওপৰত গৰুৰ আৰু গাহৰিৰো চৰ্বি সানি দিয়া হৈছে, আৰু এই গুলী দাঁতেৰে কাটি লৈহে বন্দুকত ভৰাব লাগে। এই কদৰ্য্য কাৰ্য্য—কি হিন্দু কি মুছলিম—সকলোৰে ধৰ্ম-বিৰোধী কাৰ্য্য।" চতুৰ্থ চিপাহীজনে নানছাহিবৰ আগত অভিযোগ দাঙি ধৰিলে।

"ইপিনে—মঙ্গলপাঁড়েৰ আত্মাই—প্ৰতি নিশায়েই মোৰ অন্তৰত লম্ভে। মঙ্গলপাঁড়েজীয়ে মোক সদায় সোধে যে—আমি আমাৰ মাতৃভূমিক কেতিয়া বিদেশীৰ





কবলমুক্ত কৰিম।" আন এজন চিপাহীয়ে বিমবিষ ভাবেৰে ক'লে।

মঙ্গলপাঁড়েৰ কথা নানা ছাহিবে উত্তমৰূপেই জানে। বঙ্গদেশৰ ব্যাৰাকপুৰ নামৰ ঠাইত চিপাহীৰ কাম-কৰি থকা মঙ্গলপাঁড়ে আছিল-দুঃসাহসী, নিডৰ। মঙ্গলপাঁড়েই য'ত চিপাহীৰ কাম কৰিছিল, তাতো চৰ্বি-সনা গুলী দাঁতেৰে কাটি বন্দুকত ভৰাব লাগিছিল। ব্যাৰাকপুৰৰ কম্প্যানিৰ চিপাহীহঁতে এইবিধ গুলী ব্যৱহাৰ কৰাত মান্তি হোৱা নাছিল, আৰু এইবিধ গুলীৰ ব্যৱহাৰ ৰদ কৰিবলৈ কম্প্যানিৰ কৰ্তৃপক্ষলৈ আবেদন জনাইছিল। কিন্তু এই আবেদনলৈ কম্প্যানিৰ কৰ্তৃপক্ষই কাণসাৰকে নকৰা হ'ল। এই অন্যায় আদেশ মান্য কৰাৰ অপমানেৰে জৰ্জৰিত অতি বিক্ষুব্ধ মঙ্গলপাঁড়েই ৰাতিৰ পাছত ৰাতি বিনিদ্ৰভাবে অতিবাহিত কৰিবলৈ ধৰিলে।

আৰু এনিশা—অকস্মাৎ মঙ্গলপাঁড়েই তেওঁৰ তম্বুৰপৰা বিজুলীগতিৰে ওলাই আহি চিঞৰি চিঞৰি ক'বলৈ ধৰিলেঃ আহাঁ, ভাইসকল, আহাঁ—চিপাহীসকল, ওলাই আহাঁ, বিদ্ৰোহলৈ আগবাঢ়াঁ . . .।"

তম্বুত থকা চিপাহীসকলো মঙ্গলপাঁড়েৰ আহ্বান শুনি ওলাই আহিব ধৰোঁতেই—ছাৰ্জেন্ট মেজৰ হগছনে মঙ্গলপাঁড়েক বন্দী কৰিবলৈ চেষ্টা কৰাত মঙ্গলপাঁড়েই হগছনক গুলীয়াই মাৰিছিল। তেতিয়া—আন এক ইংৰাজে বিদ্ৰোহী মঙ্গলপাঁড়েক ডেগাৰেৰে কোবাই আহত কৰিছিল।

আৰু তাৰ পাছত—মঙ্গলপাঁড়েক ফাঁচি দিয়া হৈছিল।

নানাছাহিবে সকলোকেইজনৰ সকলো কথা—মনযোগৰে শুনিলে, আৰু তাৰ পাছত ক'লে, "ভাইসকল, মঙ্গলপাঁড়েজীলৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা অৰ্পণ কৰিছোঁ। তেওঁৰ সাহসা আৰু ত্যাগে আমাকো উদ্বুদ্ধ কৰক। কিন্তু—তেওঁৰ মাজত থকা চঞ্চলতা আমি নেদেখুৱাওঁ, কিয়নো—কেৱল আবেগজনিত হৈ কোনো কাৰ্যয়েই সুকলমে নিষ্পন্ন কৰিব নোৱাৰি। বগাবঁগালহঁতৰ বজ্ৰচেপনৰপৰা আমাক সাৰ্বিক মুক্তি লগে, আমাক স্বাধীনতা লাগে। কেৱল আবেগ-পূৰিত হৈ আত্মত্যাগে কৰিলেই স্বাধীনতাৰ সেন্দূৰীয়া আলি ঢুকি পোৱা নাযাব। আমি যদি পৰিপক্ক পৰিকল্পনাৰে সৰ্বত্ৰ ইহঁতক বিৰুদ্ধে বিদ্ৰোহ কৰিব পাৰোঁ—

তেনেহ'লে ইহঁতক খেদিব পাৰিম। — মোৰ কথা বুজি পাইছানে ?"

"ওঁ, ওঁ—পাইছো।" সকলোটিয়ে সমস্বৰে কৈ উঠিল।

"বিদ্রোহৰ দিন-বাৰ স্থিৰীকৃত হৈছে। সেই দিন-বাৰৰ কথা সঠিক সময়ত আপোনালোকক অপতিপলমেই জনোৱা হ'ব। সিমানাদিনলৈকে সহি থাকক।" নানাছাহিবে ক'লে।

এজন চিপাহীয়ে পুছিলে, "তেনেহ'লে —আমি এতিয়াৰপৰা গোৰাহঁতৰ সকলো অত্যাচাৰ নিৰৱে সহি থাকিমনে ? আমি বাৰু—এনেয়ে দিন নিয়ামনে ?"

"নালাগে এনেয়ে নিয়াব। সময়ৰ সদুপযোগ কৰিব। অন্য অন্য চিপাহীক আপোনালোকৰ বাটলৈ লৈ আহিবলৈ চেষ্টা কৰিব।" নানাছাহিবে ক'লে।

"নানাছাহিব — জিন্দহ্‌বাদ !"

এই ধ্বনিৰে আকাশ-বতাহ মুখৰিত হ'ল। হাত দাঙি ধ্বনিকাৰীহঁতক ৰখাই নানাছাহিবে ক'লে, "শত্রুক মূৰ্খ বুলি ভবাটো আমাৰ পক্ষে মাৰাত্মক ক্ষতিকৰ হ'ব। ইমান দূৰ দেশৰপৰা আহি যে আমাৰ দেশতেই আমাক তলতীয়া কৰি পেলাব পাৰিছে—আমাৰ মাজত ভেদ-ভাব শিপোৱাব পাৰিছে— এয়া হ'ল শত্রুৰ বুদ্ধিমত্তাৰ জাগ্ৰত উদাহৰণ। গতিকে— আমি সকলোফালৰেপৰাই শত্রুৰ বিষয়ে সাৱধান হ'ব লাগে যে—সেই কথা মুহূৰ্তৰ বাবেও পাহৰিব নালাগে।" নানাছাহিবে সকলোকে সতৰ্ক কৰি ক'লে আৰু তাৰ পাছত

তাৰপৰা খোজ ল'লে।

এইদৰে, নানাছাহিবে দেশৰ বিভিন্ন প্ৰান্তলৈ ভ্ৰমি ফুৰি বহুতকে সতৰ্ক কৰাৰ উপৰিও একতাৱদ্ধ কৰাৰ চেষ্টা কৰি থাকিল। তেওঁৰ এই মহৎ কাৰ্য্যত সেনাপতি তান্তিয়াতোপি আৰু আজিমুল্লাহ খান তেওঁৰ সহায় হ'ল। নানাছাহিবৰ ভায়েক বালাছাহিবে তেওঁৰ ককায়েকৰ সুবিধা-অসুবিধালৈ চোৱা-চিতাৰ দায়িত্ব লৈছিল।

এদিন দুয়ো যেতিয়া চিতোৰৰ ৰাজপ্ৰাসাদ পালেহি, ঠিক তেতিয়াই তালৈ ৰাণী লক্ষ্মীবাঈ হঠাৎ উপস্থিত হ'লহি। নানাছাহিবে আচৰিত মানিলে আৰু হাঁহিৰে ক'লে, "মই—মই সপোন দেখা নাই নহয় ? তুমি—হঠাৎ— ইয়ালৈ যে —?"

"সহস্ৰ বৎসৰৰ আগেয়ে সতীদেৱীয়ে এই প্ৰশ্নৰ উত্তৰ দি থৈছে। তেওঁৰ পিতৃদেৱে পতা যজ্ঞলৈ বিনা নিমন্ত্ৰণে যাওঁতে পৰমশিৱই যেতিয়া আপত্তি দৰ্শাইছিল—তেতিয়া সতীদেৱীয়ে কৈছিল যে—পিতৃগৃহলৈ যাবলৈ পুত্ৰীক নিমন্ত্ৰণ নালাগে। এতেকে পিতৃ আৰু ভ্ৰাতৃৰ ঘৰত কোনো প্ৰভেদ মই দেখা নাই।" লক্ষ্মীবাঈয়ে হাঁহি হাঁহি ক'লে।

"ভনীটি মোৰ, কেৱল এই গৃহয়েই নহয়, মোৰ সকলো সম্পদেই তোমাৰ। পিছে—মোক খবৰ এটা পঠাই দিয়াহেঁতেন—মই নিজেই তোমাৰ ওচৰলৈ গ'লোহেঁতেন, তোমাৰ এই কষ্ট নহ'লহেঁতেন।"

নানাছাহিবৰ কথাৰ উত্তৰত ৰাণী লক্ষ্মীবাঈয়ে ক'লে, "ভ্ৰাতৃ-সন্দৰ্শনলৈ অহা যদি কষ্টকৰ — কেনেকৈনো ৰাজকাৰ্য্য চম্ভালিম ? মই কিবা — ইমানেই সুকুমাৰীনে ?"

এই বুলি কৈ, কিবা ধৰণৰ শব্দ শুনি, পিছফাললৈ ঘূৰি চাই—লক্ষ্মীবাঈয়ে কোনাবা এজনক লৰবি-ধাপৰি আহি থকা দেখা পালে। সেই মানুহজনে হেঁপাই-ফোঁপাই কৈ থাকিল, "মীৰাটত বিদ্ৰোহ আৰম্ভ হৈ গ'ল!"

"ইমান সোনকালে!"

নানাছাহিবে আচৰিত মানি কৈ উঠিল।

"চৰ্বিসনা গুলীক আৱশ্যিক বুলি ঘোষণা কৰা হ'ল, আৰু চিপাহী সকলে এই আদেশৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল। গোৰাহঁতে সকলো চিপাহীৰ হাতত হাত-কেৰেয়া লগাই দহিদল কৰিলে। চিপাহীহঁতক পাঁচ বছৰলৈ ফাটকত আটক কৰাৰ আদেশ ঘোষিত হৈছে।" দূতে বিদ্ৰোহৰ বা-বিবৰণ দাখিল কৰিলে।

"তাৰ পাছত কি হ'ল ?"

"পাছদিনা—ৰাতিৰ পৰতে বিদ্ৰোহী-সকলে ফাটকত আটক হৈ থকা বন্দী সকলক মুক্ত কৰিলে আৰু গোৰাবিলাকৰ ঘৰবোৰত জুই লগাই দিলে। মীৰাট এতিয়া লৌ লৌ কৰে জ্বলি আছে।"

দূতে দেউকি-খোৱা যেন হৈ অনুত্তেজিত নানাছাহিবক ক'লে। [আগলৈ



পুণ্য ক'ত থাকে

সাঁজ লাগি ভগাৰ আগে আগে, ঘৰুৱা কাম-বনৰপৰা অলপ আজৰি হৈ, কমলাই ঘৰৰ বাৰান্ডাত বহি আকাশৰ বুকুত উৰি উৰি ঘূৰি ফুৰা প্ৰাণ-চঞ্চল চৰাইবোৰলৈ চাই থাকোঁতেই হঠাৎ এখন গাড়ী আহি দুৱাৰমুখত ৰ'লহি।

জাকজমকীয়া সাজ-পাৰ আৰু থৰে-বিথৰে গহনা পিন্ধা বিমলাক দেখা পাই কমলাই খৰখুজীয়কৈ আগুৱাই গ'ল ঘৰৰ ভিতৰলৈ আদৰি আনিবলৈ।

বিমলা হ'ল কমলাৰ গিৰিয়েকৰ ককায়েকৰ ঘৈণীয়েক—অৰ্থাৎ জা। পোনতে ভায়েক-ককায়েক একেটা ঘৰতে একে চৰুতে একেলগেই আছিল। কিন্তু দিন যোৱাৰ লগে লগে—আগৰ সম্ভাৱৰ ঠাইত—'জা, কাষত থবি দা' বিধৰেই হৈ পৰিছিল আৰু মাত্ৰ এটা বছৰৰ ভিতৰতে চৰু বেলেগ হৈছিল।

বিমলাৰ গিৰিয়েকে ব্যৱসায়ত ধৰিছিল, আৰু 'ধন লাছ ধন বাছ ধন হ'লে ভাল মাছ'-এই নীতিক সাৰোগত কৰি—যেনেতেনে ধনিক হোৱাৰ নিমিত্তে আনক ভাঁৰিছিল, বেইমানী কৰিছিল, ভেজালৰ কাৰবাৰ কৰিছিল, ফাঁকি-ফুঁকা-প্ৰবঞ্চনা —এটাঁৰ গোঁফক দুটাঁৰ কৰি দেখুৱা আদি একোৱেই বাদ দিয়া নাছিল। তেওঁ জানিছিল যে-কোনেও তেওঁৰ একো কৰিব নোৱাৰে, নোম এডালিও ছিঙিব নোৱাৰে। আৰু—যদিহে তথাপি কোনোবাই তেওঁৰ কিবা অনিষ্ট কৰিবলৈ বিচাৰে—সেইহেন মনুষ্যক কেনেকৈ পোনাব লাগে—তাকো জানিছিল তেওঁ। তেওঁ জানিছিল যে-ধন দিলে সোণ, আৰু সোণ দিলে দঁতাল হাতীও পোন। আৰু এইদৰেই—সাগৰক নগৰ-নগৰক সাগৰ কৰি কৰি—বিমলে ধনেৰে দৌল বান্ধিব পাৰিলে আৰু চহৰৰ ধনিক-সমাজত ঠাই পালে।

সীমা শইকীয়া

কিন্তু কমলাজনীৰ ভাগ্যত তেনেকুৱা একো নহ'ল। কমলাৰ গিৰিয়েক যি আছিল, সেই থাকিল, কথমপিহে চলি থাকিল।

কেৱল চকুৰেই বেলগ হোৱা নাছিল, বিমলাই আনত ঘৰ সাজিবলৈকো গিৰিয়েকক বাধ্য কৰিছিল, আৰু এইদৰে স্থায়ী এৰাএৰি হৈছিল।

হঠাৎ সেইজনী জায়েক—বিমলা আহি উপস্থিত হোৱাত কমলাই অবাক মানি কৈ উঠিল, "আহাঁ, বাইদেউ, আহাঁ—হঠাৎ তুমি যে—"

বিমলাই কমলাক ৰখাই ক'লে, "আমি আমাৰ গাঁৱৰ দক্ষিণসীমাত এটা মন্দিৰ সজালোঁ। তোমাক তালৈ লৈ যাম বুলি আহিলোঁ।" দুয়োজনী মন্দিৰলৈ গ'ল। মন্দিৰৰ ধৰ্মকৰ্তা তথা প্ৰধান পূজাৰীয়ে বিমলাক গাড়ীৰপৰা আগবঢ়াই লৈ আহিল।

মন্দিৰৰ দুৱাৰৰ গাত বিমলাৰ নাম খোদাই কৰা আছিল। বিমলাই তেওঁৰ নামটোলৈ আঙুলিয়াই কমলাক ক'লে, "মই এই মন্দিৰৰ গোসাঁনীক — ষাঠিহেজাৰ টকাৰে আভূষণ বনাই দিলোঁ, সেইহে মোৰ নাম ইয়াত খোদিত কৰা হৈছে।"

তেতিয়াহে কমলাই তাইক বিমলাই ইয়ালৈ লৈ অহাৰ কাৰণৰ বুজ পালে। গোসাঁনীৰ দৰ্শনলৈ গৈ থাকোঁতে বিমলাই কমলাক কৈ থাকিল, "আমি—আজি আছোঁ, কালিলৈয়েই আমাৰ চাউল টুটিব পাৰে। তেতিয়া—মোৰ এই নামটো খোদিত হৈ থকাৰ যহতে মানুহে মোৰ পুণ্য-কাৰ্য্যৰ কথা জানিব।"

তেতিয়া মন্দিৰৰ ধৰ্মকৰ্তা অৰ্থাৎ প্ৰধান পূজাৰীয়ে কমলালৈ চাই বিমলাক ক'লে, "আপুনিও যদি আমাৰ গোসাঁনীলৈ সোণৰ খাৰু গঢ়াই দিয়ে—তেনেহ'লে আপোনাৰ নামো আমি এই ফলিত খোদাই কৰিম। খাৰু এযোৰত খৰচ মুঠেই পঞ্চাছ হেজাৰ।"

এই কথা শুনিয়েই কমলাৰ মনত উজান-ভাটি লাগিল। এমাহৰ পাছত শস্য বেচি—গিৰিয়েকে বুজন পৰিমাণৰ ৰূপ তাইক দিব বুলি কৈছে—দুপদমান সোণৰ গহনা গঢ়াবলৈ। কিন্তু এতিয়া তাই আৰু গহনা-টহনাত নাই, ফলিত নাম খোদাই কৰাব লাগেই।

কমলাই ধৰ্মকৰ্তাক ক'লে, "ইমান টকা ক'ত পাম? পাঁচিছ হেজাৰমানেৰে হয় যদি—"

বিমলাই টপৰকৰে কৈ উঠিল, "মোৰ ভনীয়েৰাৰ নামটো কিন্তু—মোৰ নামৰ ঠিক তলত থাকিব লাগিব, আৰু চকুত পৰাকৈ খোদাই কৰাব লাগিব।" কমলাই পাছত গোটেই কথাখিনি তাইৰ গিৰিয়াকক কৈছিল।

বিছদিনমানৰ অন্তত কমলাৰ গিৰিয়েকে তেওঁৰ ফচল বিক্ৰি কৰি টকা ভালেখিনিমান পালে। আৰু ঠিক তেতিয়াই তেওঁৰ কিছু দূৰ-সম্পৰ্কীয় খুড়াদেউ এগৰাকী কমলাহঁতৰ ঘৰলৈ আহিল। খুড়াকৰ কলিজাৰ বেমাৰ, কিন্তু চিকিৎসাৰ উপায় নোহোৱা হৈছে। চিকিৎসাৰ বাবে যিমান ধন লাগিব সিমান তো নায়েই—তাৰোপৰি—তেওঁৰ পাঁচজনী ছোৱালীৰ মাজত বহু চেষ্টাৰে প্ৰথমজনীৰ বাবে দৰা পোৱা হৈছে, যদিও দৰাপক্ষক নগদে দহহেজাৰ দিব লাগিব, তেহে বিয়া পাতিব পৰা হ'ব।

"খুড়াদেউক পঁচিছহেজাৰমান দিলে তেওঁৰ কলিজাৰ বেমাৰৰ চিকিৎসা, আৰু লগতে তেওঁৰ ডাঙৰজনী ছোৱালীৰ বিয়াখনো পাতিব পৰা হয়। তেওঁ মোৰপৰা এইখিনি টকা কৰ্জা হিচাপে খুজি আহিছিল। টকাখিনি তেওঁ খঁতিৰাকৈ — কিস্তিত শোধাই দিব বুলি কৈছে।" কমলাৰ গিৰিয়েকে ক'লে।

শুনামাত্ৰেই কমলাই তিহতিহাই উঠি ক'লে, "এইবোৰ কি কথা ? আমাৰ কিবা লাখ-বিলাখ টকা আছেনে যে আমি লোকক বিলাম ?—মই কোনো কথা নুশুনো, টকা পঁচিছহেজাৰ মোক লাগেই।"

"পঁচিছ হেজাৰ টকা ! তোমাক লাগে !" কমলাৰ গিৰিয়েকে আচৰিত মানি ক'লে।

"মই বাইদেউহঁতৰ মন্দিৰৰ গোসাঁনীৰ কাৰণে খাৰু এযোৰ গঢ়াই দিম বুলি কথা দিছোঁ—" ক্ষন্তেকমানলৈ তাপ মাৰি থকাৰ পাছত তাই পুনৰ ক'লে, "তেতিয়া—বাইদেউৰ নামৰ তলত মোৰ নামটোও মন্দিৰৰ ঘাই দুৱাৰত খোদাই কৰা হ'ব।"

"গোসাঁনীয়ে তোমাৰ দিয়া খাৰু নিপিন্ধিলেও গোসাঁনী গোসাঁনী হৈয়েই থাকিব। কিন্তু খুড়াদেউৰ কলিজাৰ চিকিৎসা নহ'লে খুড়াদেউৰ যদি কিবা এটা হৈ যায়—ইমান ডাঙৰ পৰিয়ালখন ডুবিব, আৰু ছোৱালীজনীৰ বিয়া পাতিব নোৱৰা হ'লে তাই কিজানি—আবিয়ৈজনীয়েই হৈ থাকিব। — তুমি টকাখনিৰে যদি এই কাম কৰাঁ, আনকি গোসাঁনীয়েও তোমাক ভাল পাব।" কমলাৰ

বুঢ়ীয়ে কমলাক হাত-বাউল দি মাতিলে আৰু ক'লে, "আই, মোক অল'মান সহায় কৰিবানে ? — এই পাচিত লাডু আৰু ফল আছে। এই লাডু আৰু ফলখিনি দুখীয়াহঁতক দিব লাগিব । মই কঁকালৰ বিষত এই পুণ্যকামখিনি কৰিব নোৱৰা হৈছোঁ।"

"ধৰ্ম-কাৰ্য্য কৰি আছে — মন্দিৰৰ ধৰ্মকৰ্তাই আপোনাৰ নাম ফলিত খোদাই কৰিব। আপোনাৰ নাম কি ?" কমলাই সুধিলে

কমলাৰ কথাত বুঢ়ী মানুহগৰাকীয়ে হাঁহি মাৰি ক'লে, "আনৰ ভাল কৰাটোহে ভাল, ফলিত খোদাই — খোলাকটিৰ তাল । কোনোবাই যদি সোধে—দুৰ্গাই বিলোৱা বুলি ক'বা।"

বুঢ়ী মানুহগৰাকীৰ কথাই যেনিবা কমলাজনীক সৌকাৰেহে কোবালে। কমলাই অতি নিৰ্জু মাতেৰে সুধিলে, "মন্দিৰত যিমান ভক্ত আছে—সকলোকে দিওঁনে ?"

প্ৰথমে দিবা ভুকীয়াক, তাৰ পাছত দুখীয়াক, আৰু তাৰ পাছত দিবা ভক্তসৱক। যাৰ প্ৰয়োজন অধিক, তাকেই দিবা সৰ্বাধিক। সাধ্য থকাই যদি পাৰিও দুখীয়া-ভুকীয়ালৈ সহায় নকৰা হয়—দেৱ-দেৱীয়ে সেইজনক নৰকলৈহে নিক্ষেপ কৰে। —যাৰ যিমান সাধ্য—অন্ততপক্ষে সিমান সহায় নকৰিলে— 'অদাতা পাতক ৰত হৈবেক কুদাতা'।" বুঢ়ীগৰাকীয়ে কমলাক ক'লে।

কমলাই বুঢ়ীৰ কথাৰ কোনো উত্তৰ দিব পৰা নাছিল। যি কি নহওক, লাডু আৰু ফলখিনি ভুকীয়া-দুখীয়া-ভকতসৱৰ মাজত গিৰিয়েকে কমলাক বুজাই ক'লে।

"আপুনি আপোনাৰ মতে কৈছে—কৈ থাকক। মই পুণ্য-কাম নকৰি নোৱাৰিম।" কমলাই আমানিলগা মাতেৰে ক'লে।

আৰু সেই দিনা, আবেলিপৰতে, টকা পঁচিছ হেজাৰ লগত লৈ কমলা মন্দিৰলৈ গ'ল। মন্দিৰৰ ধৰ্মকৰ্তা তেতিয়া মন্দিৰত নাছিল, কিন্তু অলপতেই উভতিব বুলি আন এজন পূজাৰীয়ে কমলাক কৈছিল।

গোসাঁনীক প্ৰণাম কৰাৰ অন্তত কমলা মন্দিৰৰ পিছফালে থকা মন্দিৰৰ ফুলনিলৈ গ'ল। তাত এজোপা গছৰ তলত এজন সাধুবাবা আকাশলৈ চাই বহি আছিল, আৰু ফুলনিৰ সিমূৰে বহি আছিল দেখাত অতি সাধাৰণবিধৰ এজনী আদ-বুঢ়ী তিৰোতা।

বিলাই দিয়াৰ অন্তত কমলা পুনৰ মন্দিৰৰ পিছফাললৈ আহিল। কিন্তু তাত তেতিয়া দুৰ্গা নামৰ সেই বুঢ়ীগৰাকী নাছিল। কমলাই বুঢ়ীগৰাকীৰ কথা সাধুবাবাক সোধাত সাধুবাবাই ক'লে, "তুমি কাৰ কথানো সুধিছা, আই ?"

কমলাই ক'লে, "ইয়াত যে বুঢ়ী মানুহ এগৰাকী বহি আছিল—তেওঁৰ কথা।"

"তেওঁ দেখাতনো কেনেকুৱা ? কপালত কুঙ্কুমা ডাঙৰ ফোঁট আছিলনে তেওঁৰ ?"

সাধুবাবাৰ প্ৰশ্নৰ উত্তৰত কমলাই ক'লে, "ওঁ, তেওঁৰ কথাকো সুধিছোঁ। তেওঁ তেওঁৰ নাম দুৰ্গা বুলি কৈছিল।"

"আইজনী, তুমি পুণ্য-ধন্য হ'লা। তুমি প্ৰকৃত দুৰ্গা-মাতাৰ দৰ্শন লভিলা। আগতে—মাত্ৰ আন এজনে দুৰ্গামাতাৰ প্ৰত্যক্ষ দৰ্শন লাভ কৰিছিল। কিন্তু—জীৱনকাললৈকে তপস্যা কৰিও মই আজীৱনৰ সাধুৱে দুৰ্গামাতাৰ দৰ্শন নাপালোঁ।" সাধুৱে খেদৰে সৈতে ক'লে।

সাধুবাবাৰ কথা শুনি কমলাই সমগ্ৰ শৰীৰত এক অদ্ভুত শিহৰ অনুভৱ কৰিলে। সেই বুঢ়ী তিৰোতাগৰাকীৰ কথাখিনি কমলাৰ অন্তৰত ধ্বনিত হৈ থাকিল ঃ... পাৰিও যদি দুখীয়া ভুকীয়াক সহায় নকৰে... অদাতা পাতক ৰত হৈবেক কুদাতা...।—দেৱী দুৰ্গাই স্বয়ং স্বমুখে তাইক এই কথা কৈছিল...।

কমলা তাত আৰু নৰ'ল। মন্দিৰৰ ধৰ্মকৰ্তাৰ সৈতে দেখা কৰাৰ কথা তাইৰ আৰু মনতো নপৰিল। তাই পোনে পোনেই ঘৰলৈ উভতি আহিল, আৰু গিৰিয়েকক ক'লেহি, "এয়া লওক—টকা পাঁচছ হেজাৰ। খুড়াদেউৰ চিকিৎসাৰ কাৰণে, আৰু তেওঁৰ ডাঙৰজনী ছোৱালীৰ বিয়াখন পাতিবৰ কাৰণে দিব।"

কমলাজনীৰ এই হঠাৎ পৰিৱৰ্তন যে কেনেকৈ হ'ল আৰু কিয় হ'ল, গিৰিয়েকে একোকে ঠাৱৰ কৰিব নোৱাৰি ভেবা হৈ থাকিল। কিছু সময়ৰ পাছত, গিৰিয়েকে সুধিলে, "হঠাৎ তোমাৰ কি হ'ল — ক'বানে ? মোৰ ওপৰত খং কৰিলানে ? খঙতেই তোমাৰ এই পৰিৱৰ্তন হ'লনে ?"

কমলাজনীয়ে হাঁহি মাৰি ক'লে, "খঙতে নহয়, ৰঙতেই। মোৰ এই কাৰ্য্যত কোনো চং নাই—ঢং নাই—বংও দিয়া নাই। পুণ্যকাৰ্য্য কাক কয়—আজিহে শিকিলোঁ, দৈন্যতে যে পুণ্য থাকে—আগে নাজানিলোঁ।"

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৮ চনৰ ফেব্ৰুৱাৰি সংখ্যাত ওলাব

MAHANTESH C. MORABAD

MAHANTESH C. MORABAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ ডিছেম্বৰৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ অকট'বাৰ সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : চেমনীয়াৰ আয়ম ব্যায়াম

দ্বিতীয় ফোটো : পিয়াহদঁতাৰ পিয়ন আৰাম

পাওঁতা : নীলাঞ্জন পুৰকায়স্থ, ডি. এম. লোহিয়া ৰ'ড, তিনিচুকীয়া-৭৮৬১২৫, (অসম)

[এই মাহৰ শেষ ভাগত পুৰস্কাৰৰ ধন পঠোৱা হ'ব।]

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600 026.

Printed by B.V. REDDI at Prasad Process Pvivate Ltd., Chandamama Building, Chennai- 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K.Salai, Vadapalani, Chennai- 600 026 (India) Editor : NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and compying or adopting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS VADAPALANI CHENNAI - 600 026

CHANDAMAMA (Assamese) December 1997 Regd. No. TN / MS (S) 87/97
Registrar of News Papers, India. RN 30278 / 76

আমি কাহানিও পাহৰা নাই...যতদিন আছোঁ জীয়াই

PARLE

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়।
বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/108 R as